# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### VOL. I

### No. 18

The 2nd June 1978

1982

PRINTED AT THE ASSAM GOVERNMENT PRESS, GAUHATI

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

(Budget Session)

VOLUME I

No. 18

Dated the 2nd June, 1978

---

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ... ... ... ... | 903—921 |
| 2. | Unstarred Questions & Answers ... ... | 922 |
| 3. | Call Attention Notice ... ... ... | 923—926 |
| 4. | Matter under Rule 301 ... .. ... | 926—929 |
| 5. | Miscellaneous .. .... ... .. | 930—931 |
| 6. | Resolution ... ... ... ... | 932—940 |
| 7. | Adjournment .. ... .. .. | 940 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 2nd June 1978 with the Hon'ble Deputy Speaker in the Chair, 11 (eleven) Ministers, 4 (four) Ministers of State, 4 (four) Parliamentary Secretries and 88 (eighty eight) Members present.

Starred questlon No. 72 was not put Members being absent.

**Re : Everest Cycle Factory**

Shri ABDUL MUQTADIR CHOUDHURY asked :

*73. Will the Minister, Industries be pleased to state—

(a) The total amount paid by the Government to the "Everest Cycle Factory" as loan ? (Figures any be shown Yearwise).

(b) Total amount of loan still outstanding ?

Shri GOLAP BORBORA (Chief Minister) replied :

73. (a)—As on 31st March, 1978, a total sum of Rs. 18·25 lakhs was paid as shown below :—

| | | | | | | |
|---|---|---|---|---|---|---|
| 1967-68 | ... | ... | ... | ... | ... | Rs. 10·00 lakhs |
| 1976-77 | ... | ... | ... | ... | ... | Rs. 1·00 ,, |
| 1977-78 | ... | ... | ... | ... | ... | Rs. 7·25 ,, |
| | | | | | | Rs. 18·25 Lakhs |

(b)—Rs. 18·25 lakhs,

Shri ABDUL MUQTADIR CHOUDHURY : What States Government proposes to take for realisation of the outstanding loans ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— এই বিষয়ে চৰকাৰে আৱশ্যকীয় ব্যৱস্থা লৈ আছে।

শ্ৰীপ্ৰমোদ গগৈ :—উপাধ্যক্ষ মহোদয়, এই কথা সচাঁ নেকি যে এভাৰেষ্ট চাইকেল ফেক্টৰীয়ে যি ১৮·২৫ লাখ টকাৰ চৰকাৰী ধাৰ পৰিশোধ কৰিবলৈ বাকী আছে, সেই টকা আদায় কৰাৰ কাৰণে আইন মতে এভাৰেষ্ট চাইকেল ফেক্টৰীৰ বিৰুদ্ধে মোকদ্দমা কৰাৰ কথা চৰকাৰে কোনোবা এটা সময়ত সিদ্ধান্ত কৰিছিল নেকি ?

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :—এই বিষয়ে বৰ্তমান চৰকাৰে কোনো সিদ্ধান্ত কৰা নাই, আগৰ চৰকাৰে যদি কৰিছিল সেইটো নাজানো।

শ্ৰীপ্ৰমোদ গগৈ ঃ—উপাধ্যক্ষ ডাঙৰীয়া, মোৰ প্ৰশ্ন হৈছে এভাৰেণ্ট চাইকেল ফেক্টৰীৰ বিৰুদ্ধে চৰকাৰৰ পক্ষৰ পৰা এই ধাৰ আদায় কৰাৰ কাৰণে বাৰে বাৰে জাননী দিয়া স্বত্বেও এভাৰেষ্ট চাইকেল ফেক্টৰীয়ে ধাৰ পৰিশোধ কৰা নাই। সেই কাৰণে এই ফেক্টৰীৰ বিৰুদ্ধে আইন মতে গোচৰ কৰাৰ সিদ্ধান্ত চৰকাৰে কৰিছিল নেকি?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—আগতে কোনো সিদ্ধান্ত কৰাৰ কথা আমি নাজানো।

শ্ৰীপ্ৰমোদ গগৈ ঃ—উপাধ্যক্ষ ডাঙৰীয়া মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছো যাতে প্ৰশ্ন-ত্তোৰত এই ফেক্টৰীয়ে টকা আদায় নিদিয়াৰ কাৰণে চৰকাৰে কেচ নাই কৰা বুলি যাতে নকয়। কাৰণ চৰকাৰে এই ফেক্টৰীৰ বিৰুদ্ধে কেচ কৰিছিল।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— আমি এতিয়ালৈকে এই বিষয়ে কোনো নথি-পত্ৰ বিচাৰি পোৱা নাই।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ—এই লোণ ৰিয়েলাইজ কৰিবৰ কাৰণে এতিয়ালৈকে কি ব্যৱস্হা লৈছে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—উপাধ্যক্ষ মহোদয়, ১৯৬২ চনৰ পৰা এই এভাৰেণ্ট চাইকেল ফেক্টৰীৰ কাম আৰম্ভ কৰা হয়। এই কোম্পানীত প্ৰথমতে অসম চৰকাৰৰ চেয়াৰ আছিল ৫ লাখ টকা। ১৯৬৮ চনত গুৱাহাটীত এটা অশান্তিৰ সৃষ্টি হৈছিল আৰু সেই সময়ত এই কাৰখানা কিছু ক্ষতিগ্ৰস্ত হৈছিল আৰু সেইকাৰণে অসমৰ চৰকাৰে আৰু ১০ লাখ টকা এই কোম্পানীক দিয়ে। আৰু তেতিয়াৰ পৰা তেনেকৈয়ে চলি আছে। তাৰ পিচত কোম্পানীয়ে ২৫-৩-৭০ তাৰিখলৈকে লোণ আৰু সুত আদায় দিয়াৰ কাৰণে সময় বিচাৰে। কিন্তু টকা-পইচা হলে ঘুৰাই দিয়া নাছিল। গতিকে ৩১-১২-৭৭ তাৰিখলৈকে এই লোণৰ ওপৰত সুত জমা হয় ৫ লাখ ১৪ হাজাৰ প্ৰায় ৫০০ টকা। ১৯৭৫ চনত সেই কোম্পানীৰ আকৌ আৰ্থিক সংকটৰ সন্মুখীন হৈ কোম্পানী বন্ধ হোৱাৰ উপক্ৰম হয়। তেতিয়া কোম্পানীয়ে ষ্টেট্‌বেংকৰ বিকানিৰ আৰু জয়পুৰ শাখাৰ পৰা ১০ লাখ টকা লোণ লব বিচাৰে আৰু তাৰ কাৰণে অসম চৰকাৰে গেৰাণ্টৰ হবলৈ সন্মতি দিয়ে। ১৯৭৫ চনত শ্ৰীডুংগলক তাৰ এক্‌জিকিউটিভ্‌ ডাইৰেক্টৰ পতা হয় আৰু তেওঁ ১৯৭৬ চনৰ জুন মাহলৈকে সেই পদত থাকে। ইতিমধ্যে The Company approached the Govt for giving ways and means loans. আৰু তাৰ পিচত ৱেজ এণ্ড মিনচ্‌ এড্‌ভান্স চৰকাৰৰ পৰা লয়। ১৯৭৬-৭৭ চনত ১ লাখ আৰু ১৯৭৭-৭৮ চনত এবাৰ ১.৭৫ লাখ, এইদৰে মুঠ ৮.২৫ লাখ টকা চৰকাৰৰ পৰা লয়। এইদৰে চৰকাৰ কোম্পানীটোৰ লগত জড়িত হৈ পৰে। কিন্তু তেওঁলোকৰ বিৰুদ্ধে কোনো কেচ কৰাৰ কথা অৱগত নহয়। অসম চৰকাৰে ইতিমধ্যে এই কোম্পেনীৰ দায়িত্ব লবলৈ কেন্দ্ৰীয় চৰকাৰক কৈছে আৰু কেন্দ্ৰীয় চৰকাৰেও ইণ্ডাষ্ট্ৰিয়েল ৰি-কনষ্ট্ৰাকচন অৱ ইণ্ডিয়াক লবলৈ কয়। সেই মৰ্মে তেওঁলোকেও ৪-১-৭৮ তাৰিখে এভাৰেণ্ট চাইকেল কোম্পানীৰ মেচিনাৰী বিলাক পৰিদৰ্শন কৰিবলৈ এটা বিশেষজ্ঞৰ দল পঠায় আৰু তেওঁলোকেও মেচিনাৰী বিলাক ঠিক আছে বুলি ধৰি লৈছে। এইদৰে কোম্পানীটো চলি আছে। এই ইণ্ডাষ্ট্ৰিয়েল ৰিকনষ্ট্ৰাকচন কৰপোৰেচনেও চৰকাৰৰ পৰা কিছুমান কনচেচন বিচাৰিছে। সেইবিলাক হৈছে

Conversion of existing loans of Rs. 18.25 lakhs and interest thereon into equity and conversion of state tax arrears into equity, grant of examption of sales tax and other taxes for a period of 3 years. A final decision on this would be taken shortly.

শ্ৰীপ্ৰেমধৰ বৰা ঃ— চৰকাৰৰ পৰা লোণ লোৱাৰ কথা শুনিছো কিন্তু আদায় কৰাৰ কথা শুনা নাই। মই জানিব বিচাৰিছো এই কাৰখানা বৰ্ত্তমান বন্ধ হৈছে নেউৎপাদন চলি আছে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ- কাৰখানা বৰ্ত্তমান বন্ধ হৈ আছে। প্ৰায় আঢ়ৈ বছৰ ধৰি অসম চৰকাৰে কৰ্ম্মচাৰী সকলক দৰমহা দি আছে। আমি শাসনলৈ অহাৰ পিচত তিনি মাহৰ দৰমহা দিছো। আৰু চতুৰ্থ মাহৰ দৰমহা দিয়াৰো সম্মুখীন হৈছো। গতিকে এই এভাৰেষ্ট চাইকেল কোম্পানীটো কেন্দ্ৰীয় চৰকাৰে লোৱাৰ যি ব্যৱস্থা চলি আছে সেইটো যদি নহয় তেনেহলে এই টকা-পইচা ঘুৰাই পোৱাৰ আশা ক্ষীণ। লগে লগে শ্ৰমিক সকলেও বেকাৰ সমস্যাৰ সম্মুখীন হব। এই অৱস্থা অবশ্যে আমাৰ চৰকাৰে কৰা নাই। ১৯৬২ চনৰ পৰা যি বিভিন্ন চৰকাৰ আছিল তেওঁলোকেই এই ক্ষেত্ৰত দায়ী। প্ৰথম অৱস্থাৰ পৰাই কোম্পানীৰ মালিক সকলে চৰকাৰক অংশীদাৰ কৰি, পিছত ঋণ লৈ চৰকাৰক জড়িত কৰি নাকি লগাই টানি আছে। এতিয়া আৰু তাৰ হাত সৰাৰ উপায় নাই। কেন্দ্ৰীয় চৰকাৰে দায়িত্বলৈ যদি ভালকৈ চলায় তেতিয়াহলে উৎপাদনো হব আৰু লগে লগে শ্ৰমিক সকলৰ ওপৰত যি তৰোৱাল ওলমি আছে তাৰ পৰা পৰিত্ৰাণ পাব।

Shri RANENDRA NARAYAN BASUMATARI :—Sir, may I know from the Hon'ble Chief Minister since the start of the Cycle Factory how many cycles have been produced and whether at the moment the company has gone on liquidation? If it has gone on liquidation, whether there is any surity for the realisation of the loans so far sonctioned by the Government.

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—কিমান চাইকেল উৎপাদন হৈছে বা অন্যান্য ব্যৱস্থাৰ বিষয়লৈ বেলেগ নটিচৰ দৰ্কাৰ।

*শ্ৰীপ্ৰেম বৰা ঃ— মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই কোম্পানীটো পাব্লিক লিমিটেড্ নে প্ৰাইভেট লিমিটেড্?

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—প্ৰাইভেট লিমিটেড্।

*শ্ৰীপ্ৰেম বৰা ঃ— যদি প্ৰাইভেট লিমিটেড্ কোম্পানী হয়, তেনেহলে চৰকাৰে লোণ দিছে কিয়? আৰু উৎপাদন নোহোৱা এটা প্ৰাইভেট কোম্পানীৰ কৰ্ম্মচাৰী সকলক দৰমহা দিয়াৰ কিবা যুক্তি আছেনে? মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—চৰকাৰৰ ইয়াত সেয়াৰ আছিল।

*Shri FAKHRUL ISLAM :—Sir, from the replies of the Hon'ble Chief Minister it is very clear that the Company is not functioning property and the Congress Government had put on lakhs of rupees on this unviable company. It appears that if the Central Government does not take it over then a large number of people will be unemployed. Whether the Congress Government had any proposal or the present Government is thinking of any alternative method through which the Company can run?

*Speech not corrected.

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) :আমি এই কোম্পানীটো কেন্দ্ৰিয় চৰকাৰৰ তত্বাৱধানলৈ নিবলৈ ইতিমধ্যে কেন্দ্ৰিয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো।

শ্ৰীগজেন তাঁতী :— কেন্দ্ৰীয় চৰকাৰৰ আশ্বাস মতে এই ফেক্টৰীটো ১৯৭৮ চনৰ এপ্ৰিল মাহতে কেন্দ্ৰিয় চৰকাৰৰ তত্বাৱধানলৈ নিয়াৰ চৰকাৰে আশ্বাস দিছিল নেকি? এই বিধান সভাৰ সন্মুখত যেতিয়া ডেপুটেচন আহিছিল

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) :—সেইটো মই নাজানো। কিন্তু এই উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো আৰু এই যোগাযোগ আগৰ মন্ত্ৰী সকলেই কৰি আছিল।

Shri ALTAF HOSSAIN MAJUMDAR :—Mr. Deputy Speaker, Sir it appears three factors are involved in it : One is the question of industry in Assam; second is the question of loan of the Government of Assam and the third is the question of labour. So, these three factors should be looked into because it involves the interest of Assam May I request the Chief Minister that without keeping this confined in files and letters he should take it up with the appropriate authorities and discuss the matter across the table so that we may not have the liability of keeping the labouers idle?

*শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্যমন্ত্ৰী) :—এইটোৰ বিষয়ে আমি ব্যৱস্হা লৈছো। আৰু এই বিষয়ে যোগাযোগ কৰা হৈ আছে।

বিঃ চেণ্ট্ৰেল সমবায় বেংক

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

*৭৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ চেণ্ট্ৰেল সমবায় বেংকৰ বৰ্ত্তমান বিত্তীয় অবস্হা কেনেকুৱা?

(খ) এই বেংকৰ জৰিয়তে অনাদায় হৈ থকা খেতিয়কক দিয়া ঋণৰ পৰিমাণ কিমান?

(গ) বেংকটোৰ ভৱিষ্যত উন্নয়নৰ কাৰণে চৰকাৰে কিবা ব্যৱস্হা কৰিছেনে?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৭৪। (ক)—শোচনীয়।

(খ)—৭৭৬·৭০ লাখ টকা (মূল ৬৮৫·৬৫ লাখ টকা সুত ৯১·০৫ লাখ টকা)।

(গ)—মুঠ ৭ টা চেণ্ট্ৰেল সমবায় বেংকৰ ভিতৰত ৬ (ছয়) টা বেংকক (শিৱসাগৰ চেণ্ট্ৰেল সমবায় বেংকটো বাদ দি) অসম সমবায় এপেক্সৰ লগত চামিলকৰণৰ বাবে যোৱা চেপ্তেম্বৰ মাহত পঞ্জীয়কৰ দ্বাৰা নিৰ্দ্দেশ জাৰি কৰা হৈছিল। কিন্তু সেই নিৰ্দ্দেশ বিৰোধিতা কৰি চেণ্ট্ৰেল বেংক কৰ্ম্মচাৰী সন্থাৰ পৰা গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ কৰাৰ কাৰণে চামিলকৰণৰ নিৰ্দ্দেশ বৰ্ত্তমান স্হগিত হৈ আছে।

*Speech not corrected.

*শ্ৰীগোলকচন্দ্ৰ ৰাজবংশী :— এই বেঙ্ক বিলাক চলাবৰ কাৰণে বৰ্ত্তমান কিবা আঁচনি লোৱা হৈছে নেকি ?

*শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :—চামিল কৰণৰ ব্যৱস্হা চলি আছে কিন্তু সম্পূৰ্ণ কৰিব পৰা নাই । বৰ্ত্তমান চলি আছে ।

*শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী :—ইয়াত গোৱাৰ্চ ডেপোজিত কিমান ?

*শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— গ্ৰোৱাৰ্চ ডেপোজিটৰ পৰিমান ১,২৯,৪৭ হাজাৰ টকা ।

*শ্ৰীগোলক ৰাজবংশী :— এই টকা ঘূৰাই দিয়াৰ কিবা বন্দবস্হা চলিছে নেকি ?

*শ্ৰীসোনেশ্বৰ বৰা :—(মন্ত্ৰী) যিহেতু চামিলকৰণৰ ব্যৱস্হা এতিয়ালৈকে হোৱা নাই আৰু ৰিজাৰ্ভ বেঙ্ক আৰু চেন্টেল বেঙ্কে ও ইয়াৰ দায়িত্ব লব খোজা নাই, সেই কাৰণে চামিলকৰণ ব্যৱস্হা শেষ হলে বা চামিল নকৰা হলে প্ৰয়োজনীয় ব্যৱস্হা লোৱা হব।

*শ্ৰীকালিৰাম ডেকা ৰজা :—মানহে যিবোৰ টকা থৈছে সেইবোৰ উলিয়াব নোৱাৰাত এটা ডাঙৰ অসুবিধাৰ সৃষ্টি হৈছে আৰু সেইবিলাকৰ সুবিধা কৰি দিয়াৰ কাৰণে চৰকাৰে এই টকা বিলাক উলিয়াবৰ সুবিধা দিয়াৰ কাৰণে কি ব্যৱস্হা লৈছে ?

*শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— চামিল কৰণৰ ব্যৱস্হা শেষ হলে নাইবা বাকী যি ব্যৱস্হাই কৰা হয়, সেইটো শেষ হলে কিবা ব্যৱস্হা লোৱা হব।

*শ্ৰীৰনেন্দ্ৰ বসুমতাৰী :— যিবোৰে টকা থৈছে বেঙ্কত চামিল কৰণৰ পাচত সিহঁতক সুদে মূলে টকা ঘূৰাই দিয়া হব নেকি ?

*শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :—চামিলকৰণৰ পাচতহে যিব্যৱস্হা লোৱা যায় লোৱা হব। কাৰণ কমিটিৰ পৰিচালনাৰ ভূলৰ কাৰণেহে বৰ্ত্তমান অৱস্হাৰ উদ্ভৱ হৈছে। আৰু খিলাফী ৮ কোটি টকাৰো বেচি হৈছে কাৰণে ৰিজাৰ্ভ বেঙ্কে স্বীকৃতি দিয়াৰ পৰা আতৰি আহিল। ইতিমধ্যে তাৰ কৰ্ম্মচাৰী সকলেও হাইকোৰ্টত আপিল কৰিছে।

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী :— চামিলকৰণ সম্পূৰ্ণ হলে ইতিমধ্যে ডেপজিট দিয়া সকলো ধন সুদে মূলে ঘূৰাই পাবনে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— বেংক আইন মতে যি পাব লাগে সেই মতেই পাব।

শ্ৰীদীপক ভট্টাচাৰ্য্য :— অধ্যক্ষ মহোদয়, যে সব চেন্ট্ৰেল ব্যাংক'কে এপেক্স ব্যাংক'কে রূপান্তরির করা হয়েছে সেইসব চেন্ট্রেল ব্যাংক এর কর্মচারীদের সংস্হানের কোন বিকল্প ব্যবস্হা হবে কি ?

আমার দ্বিতীয় প্রশ্ন হলো যে এইসব চেন্ট্রেল ব্যাংক এর মধ্যমে যে সব গরীব কৃষকদের কৃষি লোন দেওয়া হয়েছিল, সেইসব টাকা তাদেরে মকুব করে দেওয়া হবে কি ?

*Speech not corrected.

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— গৰীবেই হওক ধনীয়েই হওক অংশীদাৰ বা যিয়ে টকা থৈছে, যাৰ লেন-দেন আছে সেই সকলো বিলাক জড়িত। গতিকে সেই সকলোৰে কাৰণে বেংক আইন মতে ব্যৱস্থা হব।

শ্ৰীজীৱন বৰা :— বেংকৰ অৱস্থা বেয়া হোৱাৰ মূলতে ৰাজনৈতিক দৃষ্টিভঙ্গীৰে টকা দিয়াটো হয়নে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো এটা মতামতৰ কথা ।

শ্ৰীদীপক ভট্টাচাৰ্য্য :— অধ্যক্ষ মহোদয়, আমার প্রশ্নের স্পষ্ট জবাব আমি পাইনা।

শ্ৰীসোনেশ্বৰ বৰা :— নিয়োগ সম্পৰ্কে কৰ্ম্ম সংস্থাপনৰ বিষয়টো বিবেচনা কৰা হৈছে। এশ আঠাৰিন জন এপেক্স বেংকে নিযুক্তি দিব পাৰে বাকী অন্যান্য কৰ্ম্মচাৰী সকলক অন্যান্য অফিচৰ পৰা নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছিল কিন্তু যিহেতু এই চামিলকৰণৰ বিৰুদ্ধে তেওঁলোকে নিজেই হাইকোৰ্টত গোচৰ তৰিছে গতিকে বিষয়টো তলত পৰি গৈছে।

Re : **Cinema Hall of Assam**

Shri ALTAF HOSSAIN MAZUMDAR asked :

*75. Will the Chief Minister be pleased to state—

(a) Whether Government is aware of the fact that most of the Cinema Halls in Assam are not provided with the basic amenities ?

(b) Whether Government is also aware that with few exceptions they are generally dirty, suffocating and uncomfortable ?

(c) If so, whether Government propose to inforce conditions for providing basic amenities either at the time of granting or renewal of licence ?

Shri GOLAP BORBORA (Chief Minister) replied :

75. (a)—Report received from the local officers so far indicate that all the Cinema Halls in Assam are provided with the basic amenities.

(b)—In all cases licences are issued or renewed on fulfilment of the sanitary and structural condition of the Cinema Halls which are to be certified by the concerning Department as required under the Assam Cinemas (Regulation) Rules, 1960.

(c)—Does not arise.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই চিনেমা হল বিলাকত বেচিক এমেনিটিজ আছে বুলি মুখ্যমন্ত্ৰী মহোদয়ে কৈছে মই মুখ্যমন্ত্ৰী মহোদয়ক নগাওঁৰ জয়শ্ৰী হলত বহি চিনেমা চাই তেখেতৰ অফিচাৰ সকলে দিয়া ৰিপোৰ্ট শুদ্ধ বুলি কব পাৰে নেকি সুধিছো ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— মই জেলৰ পৰা ওলাইঅহাৰ পিচত চিনেমা চাবলৈ সময়কে পোৱা নাই। চিনেমাৰ প্ৰতি অনুভূতিশীল মন মোৰো আছে। সুযোগ সময় পালে চাম।

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী :—কেৱল জয়শ্ৰীয়েই নহয় সৰু সৰু টাউন বিলাকৰ চিনেমা হল বিলাক কোকৰাঝাৰ আদিতো জঘন্য অৱস্হাত আছে। সেই বিলাক তদন্ত কৰি ভাল কৰাৰ ব্যৱস্হা কৰিবনে ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সেই বিষয়ে অভিযোগ পালে নিশ্চয় তদন্ত কৰা হব।

Starred question No. 76 was not put member being absent.

Re : **Sapatgram Town**

Shri RANENDRA NARAYAN BASUMATARI asked :

*77. Will the Minister, Revenue be pleased to state—

(a) The Revenue Circle within which the Sapatgram Town is included ?

(b) Whether Government propose to bring the said town under one Revenue Circle ?

Shri LAKHESWAR GOHAIN (Minister, Revenue) replied :

(ক)—চাপটগ্ৰাম নগৰৰ এলেকাটো দুটা ৰাজহ চক্ৰৰ ভিতৰত পৰে। যেনে—গোসাঁইগাওঁ চক্ৰ আৰু বগৰীবাৰী চক্ৰ।

(খ)—বৰ্ত্তমান তেনেকুৱা কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই।

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী :—চাপটগ্ৰামৰ ৰেল লাইনৰ দুফালে দুটা ৰাজহ চাৰ্কোল থকাৰ ফলত অসুবিধা হোৱাৰ কথা যদি মন্ত্ৰী মহোদয়ে জানে অনুগ্ৰহ কৰি এটা কৰাৰ ব্যৱস্হা লবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এইটো চাপটগ্ৰামতেই নহয় আন ঠাইতো এনে অসুবিধা আছে। গোৱালপাৰা জিলাৰ উপায়ুক্ত আৰু ভূমি লেখা অধীকৰ্ত্তাৰ প্ৰস্তাৱ অনুসৰি এতিয়া ব্যৱস্হা কৰিবলৈ চিন্তা কৰা হৈছে। এখন উচ্চ ক্ষমতা সম্পন্ন কমিতি কৰি দিয়া হৈছে আৰু তেওঁলোকে পৰামৰ্শ দিলে এইটো কৰিবলৈ আগবাঢ়িব পৰা যাব।

Starred Question No. 78 was not put member being member absent.

বিঃ মঙ্গলদৈ মহকুমাক লৈ দৰং জিলা গঠন

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে :

* ৭৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ মহকুমাক দৰং জিলা হিচাবে নামাকৰণ কৰি এখন জিলা কৰিবলৈ কহলি কমিচনে চুপাৰিশ কৰিছে নেকি ?

(খ) যদি কৰিছে, মঙ্গলদৈ মহকুমাক কেতিয়া জিলা হিচাবে ঘোষণা কৰিব ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৭৯। (ক)—চৰকাৰে গঠন কৰা মহকুমা আৰু জিলা পুনৰ গঠন সম্পৰ্কীয় সমিতিখনৰ প্ৰতিবেদনখন এতিয়াও চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ)—সম্ভাব্য তাৰিখ এতিয়াও কৰ পৰা হোৱা নাই।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ঃ— প্ৰশ্নটো কৰা হৈছিল মঙ্গলদৈ মহকুমাৰ দৰং জিলা নাম দি জিলা গঠন কৰাৰ কথা কোহলি কমিশ্যনে কৈছিল নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— এইটো এতিয়াও কৰ পৰা হোৱা নাই। এনে একে ধৰণৰ প্ৰশ্ন সদনত উত্থাপন হৈছে আৰু তেতিয়াই কোৱা হৈছে যে বিভিন্ন উপসমিতি বিলাকৰ পৰা পোৱা প্ৰতিবেদনৰ পিচতহে চৰকাৰে বিবেচনা কৰিব পাৰিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— আগৰ চৰকাৰে কৈছিল যে বিবেচনা কৰি থকা হৈছে। এতিয়া নতুন চৰকাৰে এটা কম সময়ৰ ভিতৰত কাম কৰা হব বুলি আশ্বাস দিব নোৱাৰেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— কম সময়ৰ ভিতৰত বিবেচনা কৰা হব।

শ্ৰীগোলোক ৰাজবংশী ঃ— আগৰ চৰকাৰে ত্ৰিশ মাৰ্চৰ ভিতৰত দিব পৰা হব বুলি ঘোষণা কৰিছিল এতিয়াৰ চৰকাৰেও তেনে এটা তাৰিখ দিব পাৰেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— অনিৰ্দিষ্ট তাৰিখ এটা দিব নোৱাৰি। তথাপি যিমান সোনকালে পৰা হয় দিয়া হব।

শ্ৰীৰমেশ চহৰীয়া ঃ— মঙ্গলদৈ মহকুমাক জিলা হিচাবে গঠন কৰিববলৈ আন্দোলন কৰা কথা চৰকাৰৰ দৃষ্টি গোচৰ হৈছে নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— অসমৰ বিভিন্ন ঠাইৰ পৰা মহকুমা আৰু জিলা গঠন কৰাৰ সপক্ষে আন্দোলনৰ খবৰ বা প্ৰতিবেদন পোৱা হৈছে। বাতৰি কাকতত প্ৰকাশ পাইছে, মইও পঢ়িছো মাননীয় সদস্য গৰাকীয়েও পঢ়িছে।

**Re : Construction of bridge over river Jiabharali at Chowkighat**

**Shri GOLOK RAJBANSHI asked :**

*80. Will the Minister, P. W. D. be pleased to state—

(a) Whether Government is aware that the public of east Bharali area are demanding for a bridge over the river Jiabharali at Chowkighat ?

(b) If so, will the Government take steps to construct the bridge at an early date ?

Shri **DULAL CHANDRA BARUA** (Minister, P. W. D.) replied :

80. **(a)**—Yes.

(b)—There is no such **proposal as** yet.

শ্ৰীগোলোক ৰাজবংশী :— এই কথাটো গুৰুত্বসহকাৰে বিবেচনা কৰিব নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— গুৰুত্বপূৰ্ণ প্ৰস্তাৱ বুলি আমি বুজিব পাৰিছো আৰু সেই কাৰণেই বিবেচনা কৰিবলৈ ঠিৰাং কৰিছো। তথাপি মাননীয় সদস্যক জনাব পাৰো যে প্ৰস্তাৱটোৰ অশেষ গুৰুত্ব থকা সত্বেও আগৰ চৰকাৰে কিয় বিবেচনা নকৰিলে সেইটো ভাবি পোৱা নাই যদিও এই চৰকাৰে গুৰুত্ব অনুসাৰিয়েই বিবেচনা কৰিব।

Re : **Tahsil Office at Ratabari**

Shri ABDUL MUQTADIR CHOUDHURY asked :

*81. Will the **Minister**, Revnue be pleased to state—

Whether it **is a** fact that there is **a** popular **demand** since **some** yea's **back from the** people of Ratabari area for **setting up a** Tahsil Office ?

Shri **LAKHESWAR** GOHAIN (Minister, **Revenue**) **replied :**

এনে এটা তহছিল কাৰ্য্যালয় স্থাপনৰ কাৰণে ৰাজহুৱা দাবী আছে।

শ্ৰীআব্দুল মোক্তাদীৰ চৌধুৰী :— এইটো পূৰণ কৰাৰ কাৰণে চৰকাৰে বিবেচনা কৰিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহমন্ত্ৰী) :— ইতিমধ্যে আগৰ প্ৰশ্নৰ উত্তৰত কৈছোৱেই যে উচ্চ ক্ষমতা সম্পন্ন এটা কমিটি কৰি দিয়া হৈছে আৰু তাৰ পৰা প্ৰস্তাৱ আহিলে বিবেচনা কৰা হব।

শ্ৰীআব্দুল মোক্তাদীৰ চৌধুৰী :— ৰাতাবাৰীত তহাচল অফিচ নোহোৱা কাৰণে যথেষ্ট কষ্ট হৈছে এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহমন্ত্ৰী) :— এই বিষয়ত কমিটিৰ পৰামৰ্শ বিবেচনা কৰা হব।

শ্ৰীজগত পাটগিৰী :— জামগুৰিত এটা কৰাৰ কথা চিন্তা কৰিছেনেকি জানিব বিচাৰিছো ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই (ৰাজহমন্ত্ৰী) :— উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰি দিয়াৰ কথা কৈছোৱেই। কমিটিয়ে পৰ্য্যালোচনা কৰি যি প্ৰস্তাৱ আগবঢ়াব সেইটো বিবেচনা কৰা হয়।

বিঃ সমাজ কল্যাণ উপদেষ্টা পৰিষদ

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

*৮২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম সমাজ কল্যাণ উপদেষ্টা বোৰ্ডৰ জৰিয়তে বিত্তীয় সাহায্য পোৱাৰ অধিকাৰ চাহ বাগানৰ লোকসকলৰ আছেনে ?

(খ) যদি আছে, এতিয়ালৈকে চাহ বাগানৰ লোকসকলৰ বাবে কি কি ক্ষেত্ৰত আৰু কিমান বিত্তীয় সাহায্য দিয়া হৈছে ?

শ্ৰীৰমণী বৰ্ম্মণ (সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

৮২। (ক)—সমাজ কল্যাণ উপদেষ্টা পৰিষদৰ জৰিয়তে সমিতি পঞ্জীয়ন আইন ১৮৬০ ৰ ২১ ধাৰা অনুসৰি পঞ্জীভুক্ত নাৰী আৰু শিশুকল্যাণ কামত জড়িত থকা সেচ্ছাসেৱী কল্যাণমূলক অনুষ্ঠানৰ যোগেদি চাহ বাগানৰ লোকসকলৰ বিত্তীয় সাহায্য পোৱা অধিকাৰ আছে।

(খ) চাহ বাগানৰ এলেকাত থকা এনে ধৰণৰ কল্যাণমূলক অনুষ্ঠানক প্ৰাক প্ৰাথমিক শিক্ষা, নাৰী আৰু শিশুকল্যাণ, পুষ্টিকৰ খাদ্য সামাজিক অৰ্থনৈতিক আঁচনি আৰু অৱসৰ বিনোদক শিবিৰ আদি কাৰ্য্যৰ বাবে আৰ্থিক সাহায্য দিয়া হৈছে। এতিয়ালৈকে চাহ বাগানৰ এলেকাত সমাজ কল্যাণমূলক অনুষ্ঠানক সৰ্ব্বমুঠ ২,০৫,১৪৮·০০ (দুই লাখ পাঁচ হাজাৰ এক শ আঠচল্লিশ) টকাৰ বিত্তীয় সাহায্য দিয়া হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ দেৱগোস্বামী :— এই উপদেষ্টা বোৰ্ডৰ সদস্য সকলৰ নাম কি কি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰমনী বৰ্ম্মন (ৰাজ্যিক মন্ত্ৰী) :— দিব পৰা যায় যদি লাগে। সমাজ কল্যাণ বোৰ্ডৰ সদস্য সকল হ'ল—

চেয়াৰমেন :— ৰাণী মঞ্জুলা দেৱী

সদস্য সকল —

শ্ৰীমতী লিলি ৰাজবংশী শ্ৰীমতী চেফালী দাউলাগুপ্ত, খাইৰুন্নিচ্ছা চৌধুৰী, শ্ৰীমতী ৰেৱতী দাস, প্ৰাক্তন এম এল এ, শ্ৰীমতী বিমলা বৰা, উপ সচিব বিত্ত বিভাগ স্বাস্থ্য সঞ্চালক স্বাস্থ্য সেৱাবাৰী, সঞ্চালক পঞ্চায়ত বিভাগ, সঞ্চালক সমাজ কল্যাণ বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত সদস্য সকল—

শ্ৰীমতী কমল কুমাৰী বৰুৱা, শ্ৰীমতী বসন্তপ্ৰভা শইকীয়া, শ্ৰীমতী প্ৰমিলা গগৈ শ্ৰীমতী পদ্মাৱতী দেৱী।

শ্ৰীফকৰুদ্দিন ইচলাম :— এই সদস্য সকলৰ ভিতৰত পুৰণা বিধায়ক সকলৰ কিম্বা সম্পৰ্কীয় মানুহ আছে নেকি ?

শ্ৰীৰমনী বৰ্ম্মণ (ৰাজ্যিক মন্ত্ৰী) :—থাকিব পাৰে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই উপদেষ্টা বোৰ্ডখন পুনৰ গঠণৰ কথা চৰকাৰে ভাবিছে নেকি ?

শ্ৰীৰমনী বৰ্ম্মণ (ৰাজ্যিক মন্ত্ৰী) :—ভবা হৈছে।

শ্ৰীগোলক ৰাজবংশী :— এতিয়ালৈকে যিমান টকা খৰছ কৰা হৈছে তাৰে কিমান ভাগ শৰকৰা চাহবাগানত খৰছ কৰাহৈছে?

শ্ৰীৰমনী বৰ্ম্মণ (ৰাজ্যিক মন্ত্ৰী) :— সেইটো এতিয়াই কব নোৱাৰিম কিন্তু উপাধ্যক্ষ মহোদয় সমাজ কল্যাণ বোৰ্ডে বিভিন্ন অনুষ্ঠানত টকা দিয়ে তাত চৰকাৰৰ কোনো কতৃত্ব নাই।

শ্ৰীৰনেন্দ্ৰ বসুমতাৰী :— এই সমাজ কল্যাণ বোৰ্ডখনৰ কাৰ্য্যকাল কেই বছৰ আৰু এতিয়ালৈকে কিমানদিন বাকী আছে ?

শ্ৰীৰমনী বৰ্ম্মণ (ৰাজ্যিক মন্ত্ৰী) :—এওঁলোকৰ কাৰ্য্যকাল ২ বছৰৰ আৰু সেই হিচাবে ১৯৭৯ চনৰ অক্টোবৰ মাহলৈ কিন্তু ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰলৈ লিখিছো এই বোৰ্ডখন ৰিকন্‌ষ্টিটিউত কৰিবলৈ।

শ্ৰীপ্ৰেম বৰা :— এই সমাজ কল্যাণ বোৰ্ডৰ সদস্য সকলক কি ভিত্তিত লোৱা হয় তেওঁলোকৰ সমাজসেৱাৰ কিবা চাৰ্ভিচ থাকিব নালাগে নেকি ?

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰী) :— থকা উচিত বুলিময়ো ভাবো ।

শ্ৰীফনি মেধি :— এই সমাজ কল্যানবোৰ্ডত হৰিজন সকলক লোৱা হৈছে নে নাই? চাহবাগান বিলাকৰ ক্ষেত্ৰত এই বোৰ্ডে যি ধৰণৰ সাহায্য আগবঢ়াই সেই ধৰণৰ সাহায্য হৰিজন সকলৰ কল্যাণৰ কাৰণেও কৰাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰী) :— আছে। ভৱিষ্যতে সেই সম্পৰ্কে অধিক গুৰুত্ব দিম বুলি মই কব পাৰো।

শ্ৰীযোগেন গগৈ :—সমাজ কল্যাণ বোৰ্ডৰ তৰফৰ পৰা চাহবাগিছাৰ লোক সকলৰ কাৰণে বিভিন্ন শিতানত কিমান টকা খৰচ কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰী) :— হিচাবটো আছে কিন্তু সময় লাগিব । এই বোৰ্ডে বিভিন্ন অনুষ্ঠানত এই ধৰণে খৰছ কৰে— ১৯৬১ চনৰ পৰা টকা দিয়া আৰম্ভ কৰিছে। ৩ বছৰৰ হিচাব এই ধৰনৰ প্ৰাক প্ৰাথমিক শিক্ষাত—

(তইচ—লিষ্টখন দীঘল যদি সদনৰ টেবুলত দিয়ক)

লিষ্টখন দীঘল— মই ছেড কেইটা কৈ দিছো অৱসৰ বিনোদন, প্ৰাক প্ৰাথমিক শিক্ষা, নাৰী আৰু শিশু কল্যান, পুস্তিকৰ আঁচনি আৰু সামাজিক অৰ্থনৈতিক আঁচনি।

শ্ৰীখগেন বৰবৰুৱা :—মন্ত্ৰী মহোদয়ে বৰ সাংঘাটিক কথা এটা কৈছে, তেখেতে কৈছে যে এই বোৰ্ডত চৰকাৰৰ কোনো কৰ্তৃত্ব নাই। এই বোৰ্ডখন এটোনোমাচ নে এডভাইজাৰী ?

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰী):— এডভাইজাৰী

শ্ৰীখগেন বৰবৰুৱা :—যদি এডভাইজাৰীয়ে হয় তেনেহলে চৰকাৰৰ কৰ্তৃত্ব নাই বুলি মন্ত্ৰী মহোদয়ে কেনেকৈ কলে ?

শ্ৰীৰমনী বৰ্ম্মণ (মন্ত্ৰ):—মই কথাটো এই ধৰণে কৈছিলো যে কেন্দ্ৰীয় চৰকাৰে টকা পইছা দিয়ে সেই টকা ৰাজ্যিক বোৰ্ডে ভগাই অনুষ্ঠান বিলাকত। তাত আমাৰ কোনো কৰ্ত্তৃত্ব নাই।

শ্ৰীখগেন বৰবৰুৱা :—ষ্টেনোগ্ৰাফাৰে কি লিখে লিখক মই কথাটো কালি সদনত উঠায়।

## Re : STATFED

Shri ALTAF HOSSAIN MAZUMDAR asked :

*83. Will the Minister, Co-operation be pleased to state—

(a) When the STATFED was started and what was the amount of share capital participation by the Government ?

(To be shown yearnwise upto 31st March. 1978)

(b) What is the amount of subsidy released by the Government for the managerial and trade losses yearwise since inception of STATFED ?

(c) What is the total amount of profit or loss sustained by the STATFED upto 31st March 1978 ? (to shown year yeag wise).

(d) Whether there is a post of General Manager of STATFED and if so whatis his rank ?

(e) What is the criteria for the selection of General Manager ?

Shri SONESWAR BORA (Minister, Co-operation) replied :

৮৩ (ক)—তাহানিৰ ১৯৫৭ চনত ২৩ জানুৱাৰী তাৰিখত পঞ্জীভূক্ত কৰা আসাম কো-অপাৰেটিভ্ এগেক্স মাৰ্কেটিং ছচাইটিৰ ঠাইত ১৯৭৩ চনৰ ৯ আগষ্টত অসম ষ্টেট কো-অপাৰেটিভ্ মাৰ্কেটিং এণ্ড কনজিউমাৰছ লিমিটেড ষ্টেট-ফেড স্থাপিত হয়।

১। চৰকাৰৰ আংশিক মূলধনৰ পৰিমাণ ১৯৭৫-৭৬ চনত ৯-৮-৭৫ ৰ পৰা ৩০-৬-৭৬ লৈকে টকা ৯,২১০০·০০।

২। ১৯৭৬-৭৭ চনত ১-৭-৭৬ পৰা ৩০-৬-৭৭ লৈকে টকা ১৭,৫০,০০০·০০।

৩। ১৯৭৭-৭৮ চনত ১-৭-৭৭ পৰা ৩১-৩-৭৮ লৈকে টকা নাই।

মুঠ—২৬ লাখ ৭৬ হেজাৰ ১০০ এশ এপেক্স মাৰ্কেটিং ছচাইটি হৈ থকা সময়ত ৭৩ লাখ ৭৪ হেজাৰ।

(খ)—৯-৮-৭৫ তাৰিখৰ পৰা ৩১-৩-৭৮ তাৰিখলৈকে পৰিচালনাৰ কাৰণে কোনো ৰেহাই পোৱা নাই।

ষ্টেটফেড গঠন কৰাৰ আগতে অৰ্থাৎ এপেক্স মাৰ্কেটিং ছোচাইটি হিচাপে থকা কালতে ১৯৭৪-৭৫ চনৰ চেপ্তেম্বৰ মাহতে বাচমতি চাউল আনোতে ব্যৱসায়িক ক্ষতি হোৱা কাৰণে ২৪,৩১,৫৯৫·৪৭ টকা ব্যৱসায়িক ক্ষতি হিচাবে ১৯৭৬-৭৭ চনত দিয়া হয়।

(গ)—আগৰ এপেক্স মাৰ্কেটিং সমিতি ৩০-৬-৭৫ তাৰিখলৈকে হোৱা সামগ্ৰিক ক্ষতিৰ পৰিমাণ ৬৫,১৭,২৭০·৭৪ পইচা। এই ক্ষতিৰ পৰিমাণখিনি ষ্টেটফেড স্থাপিত হোৱাত ৯-৮-৭৫ তাৰিখত ষ্টেটফেড হিচাবে অন্তৰ্ভূক্ত কৰা হৈছে।

ষ্টেটফেডৰ ৯-৮-৭৫ পৰা ৩১-১২-৭৭ তাৰিখলৈকে লাভ ক্ষতিৰ হিচাব তলত দিয়া হল।

১। ১৯৭৫-৭৬ চনত (১-৭-৭৫ পৰা ৩০-৬-৭৬) লৈকে (প্ৰভিচনেল) টকা ৮,৩৭,১৯২ ৯৫ পইচা।

২। ১৯৭৬-৭৭ চনত লাভ (১-৭-৭৬ পৰা ৩০-৬-৭৭ লৈকে প্ৰভিচনেল) টকা ১৫,৭৯,৮৩৯·২৩

যিহেতু বছৰি হিচাব পহিলা জুলাইৰ পৰা আৰম্ভ হলে ৩০ জুনলৈ শেষ হয়। সেই কাৰণে ১-৭-৭৭ পৰা ৩১-৩-৭৮ চনলৈ লাভৰ পৰিমাণ দিব পৰা নগল।

(ঘ)—আছে। আৰু বিষয়াজন এ, চি এচ (১) চিনিয়ৰ গ্ৰেডৰ।

(ঙ)—চৰকাৰৰ পাৰচনেল বিভাগে অৰ্হতা চাই বিষয়াজন বাছি দিছে।

শ্ৰীআলটাফ হোচেইন মজুমদাৰ :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে এ, চি, এচ, চিনিয়ৰ অফিচাৰজন ইয়ালৈ অহাৰ আগতে কি পোষ্ট হল্ড কৰি আছিছিল?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী, সমবায়) :— সেই চিনিয়ৰ অফিচাৰজন এচ, ডি, অ' শিলচৰত আছিল।

শ্ৰীআলটাফ হুছেইন মজুমদাৰ :— এই চিনিয়ৰ অফিচাৰ জনতকৈ বহুত অৰ্হতা সম্পন্ন অফিচাৰ এই বিভাগত আছিল—সেই সকলক কিয় দিয়া নহল?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী, সমবায়) :— এইটো কথা পাৰ্শনেল বিভাগক শুধিব লাগিব। এই পাৰ্চনেল বিভাগেই তেখেতক অৰ্হতা সম্পন্ন বুলি বাচি দিছে।

শ্ৰীঅতুল গোস্বামী :—এই ষ্টেটফেড্ কৰাৰ কাৰণে যিবিলাক ব্যক্তি প্ৰস্তুত আছে তাৰ ভিতৰত জেনেৰেল মেনেজাৰ জন ব্যক্তিগত জ্ঞান থকা অফিচাৰ হলে ভাল হয় বুলি চৰকাৰে বিবেচনা কৰে নে নকৰে?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী, সমবায়) :—হয়, নিশ্চয় বিবেচনা কৰো— সেই কাৰণে যি হিচাবে লাগে সেই হিচাবেই কৰিবলৈ চেষ্টা কৰা হৈছে।

শ্ৰীআলটাফ হুছেইন মজুমদাৰ :— অন্য চিনিয়ৰ বিষয়া সকলক চেবাই এই বিষয়াজনক দিয়াৰ বাবে সেই সকলৰ ৰিজনেবোল গ্ৰিভোনচেচ থাকিব পাৰে—সেই বিষয়ে মন্ত্ৰী মহোদয়ে জানে নে?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী সমবায়) :—সেই বিষয়ে পাৰ্চনেল বিভাগৰ পৰা জানিব লাগিব।

শ্ৰীআলটাফ হুছেইন মজুমদাৰ :— অধ্যক্ষ মহোদয়, এনেকুৱা অৰ্গেনাইজেচন বিলাক যিবিলাকে লাখ লাখ কোটি কোটি টকা ট্ৰানজেকচন কৰে সেই বিলাকত ভাল অভিজ্ঞতা থকা চিনিয়ৰ অফিচাৰক দিব লাগে।

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী, সমবায়) :—সে বিষয়টো চাম।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— অধ্যক্ষ মহোদয়, লোকচানৰ ঘৰত ২৪ লাখতকৈও বেছি হৈছে আৰু বাচমতি চাউল আনোতে চাৰ্বচিডি দিয়া হৈছে। গতিকে ইয়াত দেখা গল যে এই ব্যৱসায় অনুষ্ঠানটোৱে বহুত লোচান ভৰিছে। সেই কাৰণে এই ব্যৱসায় অনুষ্ঠানটোৱে যাতে ভৱিষ্যতেও লোকচান নভৰে তাৰ কাৰণে ব্যৱস্থা কৰিব নে?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী, সমবায়) :—তাৰ বাবে এই কমিটিটো যাতে কাৰ্য্যক্ষম আৰু সুদক্ষতাৰে গঠন কৰিব পাৰি তাৰ ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীআলটাফ হুছেইন মজুমদাৰ :— মাননীয় মন্ত্ৰী মহোদয়ে জনা উচিত যে ভৱিষ্যতে এই দৰে বাচমতি চাউল আনি ৰাইজৰ টকা কাৰোবাক খোৱাব নোৱাৰি।

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী, সমবায়) :—উপাধ্যক্ষ মহোদয়, যেতিয়া বস্তুৰ নাটনি হয় আৰু সেই নাটনি দূৰ কৰিবলৈ চৰকাৰে নিশ্চয় বয়বস্তু আনিব লাগিব, নানো বুলি চৰকাৰে কেতিয়াও কব নোৱাৰে।

শ্ৰীমুকুট শৰ্ম্মা :এই ষ্টেটফেড্ অৰ্গেনাইজেচনটো কোন এড্মিনিষ্ট্ৰেটিভ চেট আপৰ—সমবায়ৰ নে যোগান বিভাগৰ? এই ষ্টেটফেড্ৰ খুচৰা বিক্ৰি খোলাৰ কাৰণে গাঁও পঞ্চায়তত যিবিলাক সমবায় দোকান আছে সেই বিলাক দুৰ্ব্বল হৈ নাযাবনে?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী, সমবায়) :—উপাধ্যক্ষ মহোদয়, এই ষ্টেটফেড্ বিলাক সমবায় বিভাগৰ অধিনত। কিন্তু বস্তু বিলাক যোগান বিভাগৰ । গতিকে বজাৰত খাদ্য যোগানৰ জৰুৰী পৰিস্থিতি আহিব পাৰে। ইতিমধ্যে সমবায় সমিতি সমূহ সবল নহলে সেই সময়ত চৰকাৰে খাদ্য যোগান জোৰা মাৰিবৰ কাৰণে এই ব্যৱস্থা কৰা হয় আৰু আৱশ্যক ক্ষেত্ৰত সমবায়ৈলে বাট নাচায় ষ্টেটফেড যে যোগান ধৰি ৰাইজক খুওৱাৰ দায়িত্ব লব লাগে।

শ্ৰীবাণেশ্বৰ শইকীয়া :— মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে এই ২৪ লাখ টকা লোকচান ষ্টেটফেড নিজে গাতি পাতি লবলগীয়া হল আৰু এই ২৪ লাখ টকা বাচমতি চাউল আনোতে কিয় লোকচান হল বা কেনেকৈ লোকচান হবলৈ পালে এই বিষয়ে চৰকাৰে তদন্ত কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী, সমবায়) ঃ—১৯৭৪ চনত যি ভীষণ বানপানী হোৱাৰ কাৰণে এই চাউলখিনি আনিব লগা হল আৰু সেই সময়ত বানপানী দুৰ্যোগৰ আৱশ্যক অনুযায়ী বস্তু মজুত নথকা বুলি তেতিয়াৰ চৰকাৰে ব্যাখ্যা দিছে আৰু সেই কাৰণে সেই চাউলখিনি কিনিবলগীয়া হল। গতিকে ৰাজ্যখনৰ খাদ্য নাটনি জোৰা মাৰিবৰ কাৰণে আৱশ্যক অনুপাতে সংৰক্ষণ নথকাৰ কাৰণে চৰকাৰে আশংকা কৰিছিল আৰু বস্তু বেছি আনিব লাগিব বুলি সেই উদ্দেশ্যতেই বাচমতি আনিছিল।

শ্ৰীবাণেশ্বৰ শইকীয়া ঃ—চৰকাৰে বানপানীত পইচা বিতৰণ কৰিছিল নে চাউল বিতৰণ কৰিছিল।

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী সমবায়) ঃ—বানপানীৰ সময়ত পইচা বিতৰণ কৰা নাই, কিন্তু ৪৫,১৩৫'০৯ কুইন্টল বাচমতি চাউল আনিছিল। তাৰে বিক্ৰি হল ২২,৪৭৮'৬৮ কুইন্টল। বাকীখিনি চাউলৰ কিছুমান ৰেলৰ ডবা ভাঙি হেৰাল, কিছুমান জখত কম ওলাল এনেকৈয়ে কম হৈ গল।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী যোগান) ঃ—উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্য সকলৰ সাপেক্ষে কব বিচাৰিছো যে পৰহি দিনা এই সম্পৰ্কে বিধান সভাত আলোচনা হৈছিল। ষ্টেটফেড্ সংগঠন গঠিত হৈছিল এটা ভাল উদ্দেশ্যত, কিন্তু চলিলে বেলেগ এটা উদ্দেশ্যত বা বেলেগ এটা উদ্দেশ্যত প্ৰণোদিন হল যিটোক ৰাজনৈতিক উদ্দেশ্য বুলি কব পাৰি। গতিকে এটা উদ্দেশ্যৰ পৰা আঁতৰাই ৰাজনৈতিক উদ্দেশ্যত যদি কাৰ্য্যকৰী কৰে তেতিয়া হলে আচল উদ্দেশ্যটো কি হব পাৰে আপোনালোকে ভাবি চাওক। বৰ্ত্তমান চাউলৰ হিচাব দিছে সেইখিনি হিচাব চৰকাৰৰ ফালৰ পৰা ডাঙি ধৰিছে। কিন্তু মই আপোনালোকক জনাব বিচাৰিছো যে ইয়াত বহুতো ধৰণৰ খেলিমেলি আছে। যিটোক আমি তদন্ত কৰি আছো। তাৰ পাছত আপোনালোকক কথাবিলাক সম্পূৰ্ণ জনাব পাৰিম। ইয়াত যিসকল ষ্টেটফেডত চাৰ্কৰি কৰিছে তেকেত সকলতকৈ যিসকল শাসনত অধিষ্ঠিত হৈ আছিল সেই সকলেহে সকলোতকৈ বেছি জগৰীয়া।

* শ্ৰীআব্দুল মোক্তাধীৰ চৌধুৰী ঃ—গুৱাহাটীৰ পৰা হাইলাকান্দিলৈ ষ্টেটফেড এজেন্সী দিয়া হৈছিল, কিন্তু তাত কোনো এজেন্সী নাই, ঘৰ নাই, চাইনবোৰ্ড নাই এইটো মন্ত্ৰী মহোদয়ে জানেনে?

**Mr. Deputy Speaker:**—The hon. member should remember the hon. Minister was not in a position to reply to the earlier question and at the same time another question has been put to him by another member. So, the hon. Minister will reply to the question out by Shri Choudhury.

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী সমবায়) ঃ— তেনেকুৱা ঘৰ নাইকীয়া, মানুহ নাইকীয়া, চাইনবোৰ্ড নাইকীয়া এজেন্সী চৰকাৰে কলৈকো পঠোৱা নাই;

**Shri ALTAF HOSSAIN MAJUMDAR**:-Sir, we are thanful to the Supply Minister for the opén way he is placing facts before the House. But I cannot understand the answers given by the Minister Co-operation; he said that there was demand for 'Basmati' rice.

*Speech not corrected.

বাচমতি চাউলৰ ডিমাণ্ড আছিল অথচ বহুতে ইয়াক নিকিনিলে আৰু তাৰ ডিমাণ্ড অনুপাতে দামো যথেষ্ট হোৱাত মানুহে তাক নিবিচৰা হল, সেই কথা মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী, সমবায়) ঃ— মই মোৰ ফালৰ পৰা তেতিয়াৰ চৰকাৰে দিয়া সংজ্ঞামতেহে কৈছো, সেই সময়ত অভাৱ আছিল বুলি কৈছিল আৰু মই নিজেও বিধান সভাৰ সদস্য হিচাবে সেইটো কথা সমালোচনা কৰিছিলো। এতিয়া মই তেতিয়াৰ চৰকাৰে দিয়া সংজ্ঞাহে ব্যাখ্যা কৰিছো ।

শ্ৰীএ, এন অক্ৰাম হুচেইন ঃ— আঃ হাঃ সাৰি গল ।

Re : **A P O Charduar**

Shri GOLGK RAJBANSHI asked:

*84. Will the Chief Minister be pleased to state—

(a) Whether the A. P. O. posted at Charduar has been entrusted to try cases of the Dafla People residing in this area according to their social custom ?

(b) If so, what is the number of such cases tried during the last ten years ?

(c) What are the other special functions of the A. P. O. posted at Charduar ?

Shri GOLAP BORBORA (Chief Minister), replied:

84. (a)—Yes. The cases of Dafla people are tried under the provisions of Section 5 of the Schedules Area Act, 1951 and section 5 of the Assam, Darrang and Lakhimpur Districts (Assimilation of laws n State subjects) Act, 1951 which empower A. P. O.s to try such icases under the Assam Frontier Regulation 1945,

(b) —Nos. of cases tried during the last ten years are as follows:

| Years | No. |
|---|---|
| 1968 ... .. .. .. | 12 |
| 1969 .. .. .. .. | 18 |
| 1970 .. .. .. .. | 14 |
| 1971 .. .. .. ... | 19 |
| 1972 .. .. .. .. | 22 |
| 1973 ... .. ... .. | 24 |
| 1274 .. .. .. .. | 10 |

| | | | | | |
|---|---|---|---|---|---|
| 1975 | .. | ... | .. | .. | 12 |
| 1976 | .. | ... | ... | .. | 13 |
| 1977 | .. | ... | .. | ... | 15 |
| | | | | | Total—159 |

(c)—(i) The A. P. O. Charduar is an Executive Magistrate and in the capacity he looks after law and order in the transferred area of Balipara Frontier Tract as well as in the neighbouring area under the Admihistrative Control of Deputy Commissioner, Darrang.

(ii) He assists the Deputy Commissioner in matters of general administration and the welfare of tribal people residing in the transferred area.

(iii) He performs miscellanneous duties as directed by the Deputy Commissioner from time to time.

(iv) The A. P. O. is also entrusted with some works of Revenue administration relating to the transferred area.

শ্ৰীগোগোক ৰাজবংশী :— উপাধ্যক্ষ মহোদয়, এই ট্ৰেংসম্বাৰ এৰিয়াৰ সমস্যাবিলাক যেতিয়া কমি আহিছে সাধাৰণ প্ৰশাসনৰ লগত একে পৰ্য্যায় কৰিবৰ কাৰণে ব্যৱস্থা লব নোৱাৰিবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :—চৰকাৰে এই বিষয়ে ব্যৱস্থা লৈ আছে।

Shri RANENDRA NARAYAN BASUMATARI :—May I know from the hon'ble Chief Minister what is the nature of these offences that were perpetrated among the Dafla people? What is the nature of the offences, whether the offences are simple theft, simple injury or some heinous crimes including dacoity and murder?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— এইটোৰ কাৰণে বেলেগ নটিচৰ আৱশ্যক ।

**Re: Regional Engineering College Silchar**

Shri ALTAF HOSSAIN MAZUMDAR asked:

*85 Will the Minister, Education be pleased to state—

(a) The names of Members of the Board of Governors of Regional Engineering College Silchar?

(b) Who constituted the Board and when the terms of the presents Board will expire?

(c) If it was constituted by the Ministry of Education, Government of India, whether the names were suggested by the Government of Assam ?

(d) If so, on what basis the names were suggested and who are those persons suggested by the Assam Government.

Shri LAKHYADHAR CHOUDHURY (Minister, Education) replied :

85. (a)—The list showing names of the Members of the Board of Governors of the Regional Engineering College, Silchar representing various constituencies is placed on the Table of the House.

(b)—The Board was reconstituted by and shall continue to function the College until it is revised again after five years.

(c)—The Board has been reconstituted as per guidelines formulated by the Ministry of Education, Government of India. The members against the following constituencies only have been appointed on recommendation of the State Government.

1. Chairman.

2. Three Officials of the State Government representing Education Finance and Industries Departments of the State Government.

3. Two Industrialists of the Region.

The remaining 10 (ten) constituencies are nominated by different gaencies including the Ministry of Education, Government of India.

(d) The Minister, Education was suggested for appointment as Chairman of the Board as his presence in the Board will speed up development and expansion of the College. Three Officials of State Government representing Education. Finance and Industries Department were suggested as these three Departments of State Government are directly connected with implementation of Regional Engineering College Silchar. Two Industrialists one from the State and the other from outside the State were suggested for developing relation of the College with the Industries of the Region as a whole which will also help the Graduate Engineers to get employment to neighbouring States.

Shri ALTAF HOSSAIN MAZUMDAR :—Mr. Deputy Speaker, Sir. is it correct that this Board has got 16 Governors; that is number one. Second, is there a single member out of these 16 Governors from the minority communities like muslims, sikhs, christians and jains ?

Shri LAKHYADHAR CHOUDHURY, (Minister) :—I have not got the information on that line yet I have placed the names of the members of the Board of Directors on the table of the House.

Shri ALTAF HOSSAIN MAZUMDAR :—Mr. Deputy Speaker, Sir. May I put to the Minister, Education that there is not a single

Governor from the minority community like muslims, sikhs, jains, christians and if I am not wrong will be take up the matter with the Govt. of India? Also, is the Minister aware that according to the Census of 1971 twenty five per cent of the population in the State are muslims and there are other minorities also?

Shri LAKHYADHAR CHOUDHURY, (Minister) :—Yes Sir. I will look into the matter.

Shri ALTAF HOSSAIN MAZUMDAR :—May I know why one industrialis was suggested by the State of Assam from Calcutta?

Shri LAKHYADHAR CHOUDHURY, (Minister) :—It was not suggested by the Assam Govt. but the Central Govt. insisted that one member from outside Assam and one industrialist from Assam are to be included.

Shri ALTAF HOSSAIN MAZUMDAR :—Who gave the particular suggestion to include one member from M/S Sen and Pandit?

Shri LAKHYADHAR CHOUDHURY, (Minister) :—When the Government was insisted upon to name one from outside Assam. Assam Government suggested the name of one Sanjoy Sen, industrialist from Bengal. He is the Director of M/S Sen and Pandit and also Chairman of National Tenneries, Calcutta.

Shri ALTAF HOSSAIN MAZUMDAR :—The other one is who and represents which industry?

Shri LAKHYADHAR CHOUDAURY, (Minister) :—The other one is Shri S. N. Dev from Silchar.

Shri. ALTAF HOSSAIN MAZUMDAR :—He represents which industry?

Shri LAKHYADHAR CHOUDHURY, (Minister) :—I only see the name of Shri S. N. Dev, Silchar. As you know, Sir, I have already told in yesterday's sitting that I got the approval just now as the Chairman and I have already called a meetting on the 9th to see what is there in the Regional College and I will see whether Shri S. N. Dev is an industrialist from Silchar or not.

Shri FAKRUL ISLAM :—Mr. Deputy Speaker, Sir. It is the Engineering College there. The Minister replied that two industrialists have been put in the Governing Body. Is there any connection between engineering and industrialists?

Shri LAKHYADHAR CHOUDHURY, (Minister) :—There is big connection. There is one Committee of which Dr. Jaikrishnan, Vice-Chancellor of Roorkie University is the Chairman and he gave a note; so the Central Government suggested to give four names from Assan and Assam has done that.

Mr. Deputy Speaker :—The question hour is over.

বি: কমাৰপদৰ আৰু গোবৰ্দ্ধন-কাজলী চকী ঘাটৰ দলং

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈয়ে সুধিছে :

১৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কলং তথা কপিলী নদীত কমাৰপদৰ ঘাটত নিৰ্ম্মাণ কৰা দলংখন আধা কৰাকৈ এৰি থোৱাৰ কাৰণ কি?

(খ) ১৯৭৮ চনৰ ভিতৰতে পুনৰ নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰাৰ সম্ভাৱনা আছেনে?

(গ) গোবৰ্দ্ধন-কাজলীচকী ঘাটত কলং তথা কপিলী নদীৰ ওপৰত চন্দ্ৰপুৰক সংযোগ কৰি দলং নিৰ্ম্মাণ কৰাৰ আঁচনি প্ৰস্তাৱ কৰা হৈছেনে আৰু যদি হৈছে এই কাম কেতিয়া আৰম্ভ হব?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভা-গৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৫ (ক)—১ নং খুটাটোৰ (Well) তলত ডাঙৰ পাথৰ ওলোৱাত এই (Well) টো নিৰ্দ্দিষ্ট গভীৰতালৈ বহুৱাব পৰা হোৱা নাই কাৰণে আধা কৰা হৈ আছে।

(খ)—আছে।

(গ)—নাই হোৱা।

(Shri KHAGEN BORBARUAH :—Rose to speak)

Mr. DEPUTY SPEAKER :—I request the hon'ble member to take his seat.

Shri KHAGEN BARBARUA :—It is a very vital matter Sir.

Mr. DEPUTY SPEAKER :—No. I cannot allow it now.

## CALLING ATTENTION

শ্ৰীএ, এন আক্ৰাম হুছেইন :—উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৮ চনৰ ৩ মে' তাৰিখৰ দৈনিক জনমভূমি কাকতৰ প্ৰকাশিত "মন্ত্ৰীয়ে অস্ত্ৰো প্ৰচাৰ কৰক" শীৰ্ষক বাতৰিটোলৈ স্বাস্থ্য মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিছো। এই প্ৰসঙ্গত মই দৈনিক জনমভূমিত ওলোৱা বাতৰিটো সদনৰ সদস্য সকলৰ জ্ঞাতাৰ্থে পঢ়ি শুনাব খুজিছো।

Mr. DEPUTY SPEAKER :—The hon'ble member need not read it.

Shri ATUL CHANDRA GOSWAMI :—Sir, under Rule 54 he can only draw the attention of the Minister. He cannot read out a news item. Sir, no lecture should be allowed.

Mr. DEPUTY SPEAKER :—The hon'ble member is asked to take his seat. The Hon'ble Minister will reply now.

*Speech not corrected.

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৭-৪-৭৮ বাৰিখে নগাঁও চিভিল হাস্পাতালত নগাঁও জিলাৰ ৰাইদিঙ্গীয়া গাঁওৰ শ্ৰীপদ্ম কান্ত হাজৰিকা নামৰ এজন হাৰ্নিয়া ৰোগী ২ নং চাৰ্জিকেল ৱাৰ্ড। ১০ নং বিচনাত ভৰ্ত্তি কৰোৱা হয়। ২০-৪-৭৮ বাৰিখে যেতিয়া স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে সেই ৱাৰ্ড পৰিদৰ্শন কৰে তেতিয়া ৰোগীজনে মন্ত্ৰী মহোদয়ক অন্য কথাৰ লগতে চৰকাৰী হাস্পাতালৰ ৰোগীসকলে কিয় ঔষধ কিনিব লগা হয় সেই বিষয়ে আপত্তি দৰ্শায় আৰু প্ৰমাণ স্বৰূপে মন্ত্ৰী মহোদয়ক ৰোগীজনে চাৰ্জনে তেখেতক দিয়া প্ৰেচক্ৰিপচনখন দেখুৱাই। ২১-৪-৭৮ তাৰিখে তেখেতে হাস্পাতাল ত্যাগ কৰে আৰু নিশা মন্ত্ৰী মহোদয়ক চাৰ্কিত হাউচত লগ ধৰি লিখিত ভাৱে এখন আপত্তি দিয়ে।

সেই আপত্তিৰ ওপৰত ভিত্তি কৰি স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে ১১-৫-৭৮ তাৰিখে এই বিষয়টো স্থানীয় ভাৱে তদন্ত কৰে। তলত দিয়ালোক সকলৰ জবান বন্দী লয় আৰু এই সংক্ৰান্তৰ হাস্পাতালৰ বহী পত্ৰও চোৱা হয়।

(১) ডাক্তৰ, ৰাম দত্ত বৰুজৰবৰুৱা — Surgeon

(২) „ এন, ভট্টাচাৰ্য — Anaestheist

(৩) „ পাৰ্থ সাৰথী বৰুৱা H. O. I.

(৪) শ্ৰীসুবিধ বড়া — , O. T. Pharmacist

(৪) শ্ৰীমতী এনজেলা ৰাৰ্জিৰি — O. T. Sister

(৬) মতী অম্বিকা কাৰ্কিত — A. H. M. in-charge surgical ward II

সেই দিনা আগতীয়াকৈ জাননী দিয়া সত্বেও শ্ৰীপদ্ম কান্ত হাজৰিকাক পোৱা নগল। জনালে যে তেখেতে চিকিৎসাৰ কাৰণে ইতিমধ্যেৎ গুৱাহাটী মেডিকেল কলেজলৈ আহিল। পাচৰ ২৪-৫-৭৮ তাৰিখে যুটীয়া সঞ্চালকে তেখেতক গুৱাহাটী মেডিকেল কলেজত লগ ধৰি তেখেতৰ জবান বন্দী লয়। তদন্ত তলত দিয়াৰ দৰে প্ৰকাশ পায়।

১৭-৪-৭৮ তাৰিখে শ্ৰীহাজৰিকাক হাৰ্নিয়া ৰোগৰ অস্ত্ৰোপচাৰৰ কাৰণে নগাঁও চিভিল হাস্পাতালত ২ নং চাৰ্জিকেল ৱাৰ্ডত ভৰ্ত্তি কৰোৱা হয় আৰু ২১-৪-৭৮ তাৰিখে অস্ত্ৰোপচাৰ কৰিব বুলি দিন ঠিক কৰা হয়। সেইমতে ২০-৪-৭৮ তাৰিখে অস্ত্ৰোপচাৰৰ আমাৰ প্ৰস্তুটি সমূহ সমাধা কৰা হয়। ২০-৪-৭৮ তাৰিখে চাৰ্জন ডাক্তৰ বৰুজৰবৰুৱাই তলত দিয়া ঔষধ কেইটা কিনিবৰ কাৰণে শ্ৰীহাজৰিকাক এখন প্ৰেচক্ৰিপচন দিয়ে।

(1) Omnomycin Inj.

(2) 5% dextrose Saline.

(3) Mephentine Inj.

(4) Morpnine Sulph Inj.

কৰিবলৈ কৈছিল । আৰু ডাক্তৰকো সেই হিচাবে পৰামৰ্শ দিছিলো । এনে ধৰণৰ সহজ কথাটোৰ ইমান জটিল ৰূপ ধাৰণ কৰাৰ কোনো কাৰণ থাকিব নোৱাৰে ।

শ্ৰীচামছুল হুদা :— উপাধ্যক্ষ মহোদয়, এইটো বৰ জৰুৰী প্ৰশ্ন মহোদয় আমি এই বিষয়ে কিছুমান স্পষ্টীকৰণহে বিছাৰিছো —

মাননীয় উপাধ্যক্ষ :— মিণ্টাৰ মেধি। (গোলমাল)

* শ্ৰীকোষেশ্বৰ বৰা (স্বাস্থ্য মন্ত্ৰী) :— মাননীয় উপাধ্যক্ষ মহোদয়, মই কি কৈছো মাননীয় সকলো সদস্যই বুজিছে । মই কৈছো যে দামী ঔষধ বিলাক বেছি দাম দি বাহিৰৰ পৰা কিনিবলৈ দিয়াটো উচিত নহয় যিহেতু কম দামৰ পেনিচিলিণে ৰোগীৰ ক্ষেত্ৰত একে কামকে কৰে । মই এনে ধৰণেৰে পৰামৰ্শ দিছিলো ।

———

## MATTER UNDER RULE 301

শ্ৰীনৰেন দত্ত :— মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি "যোৱা ৪ এপ্ৰিলৰ শিলাবৃষ্টি আৰু ২০ এপ্ৰিলৰ প্ৰবল ধুমুহাত নলবাৰী মহকুমাৰ বিভিন্ন অঞ্চলত হোৱা বিস্তাৰ ক্ষতিৰ" সম্পৰ্কত বিষয় এটি উত্থাপন কৰিব বিচাৰিছো। যোৱা ৪ এপ্ৰিলৰ শিলাবৃষ্টি আৰু ২০ এপ্ৰিলৰ ধুমুহাত নলবাৰী মহকুমাত বিস্তৰ ক্ষতি সাধন হয় । প্ৰায় ৪ হাজাৰৰো অধিক পৰিয়াল ক্ষতিগ্ৰস্ত হয় । বহুতৰ ঘৰবাৰী উৰাই লৈ যায় । বহুতো অঞ্চলত বৰো ধানৰ খেতি, জিকা, তিয়হ আদি খেতিৰ বিস্তাৰ ক্ষতি সাধন কৰে। এই সম্পৰ্কত নলবাৰী মহকুমাধিপতিৰ দৃষ্টি গোচৰ কৰা হৈছিল । এই সম্পৰ্কত বিভিন্ন অঞ্চলৰ পৰা দাবী উত্থাপন কৰা হৈছিল। ময়ো ব্যক্তিগত ভাবে মহকুমাধিপতিৰ ওচৰলৈ গৈছিলো তেখেত ব্যক্তিগত ভাবে বিভিন্ন ক্ষতিগ্ৰস্ত অঞ্চল সমূহ পৰিদৰ্শণ কৰিবৰ কাৰণে আহবান জনাবলৈ। কিন্তু তেখেতে এই অৱস্থাৰ গুৰুত্ব বেচিকৈ নিদিলে । মই তেখেতক দোষাৰূপ কৰিব বিচৰা নাই । তেখেতে তলতীয়া বিষয়াৰ দ্বাৰা পৰিদৰ্শণ কৰিলে। এনেধৰণৰ গুৰুত্বপূৰ্ণ অৱস্থাৰ উদ্ভৱ হলে সেই বিলাক চাবৰ কাৰণেই মহকুমাধিপতিক গাড়ী আদি দি তাত ৰখা হয় জনসাধাৰণৰ অৱস্থাৰ বুজ লৈ তৎকালে সমস্যা সমাধান কৰাৰ কাৰণে । এটা ৰিপৰ্ট চৰকাৰৰ তৰফৰ পৰা ডাঙি ধৰিছে যে ২ হাজাৰ ৭ শ পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে বুলি । আৰু যি সাহাৰ্য্য দিছে সেইটো হৈছে দোৰ মাৰি গা ধোৱাৰ নিচিনা । এই কথাটো ৰাজহ মন্ত্ৰীয়েও জানে ৰাজ্যিক মন্ত্ৰী শ্ৰীৰমণী বৰ্ম্মণ তালৈ গৈ পৰিদৰ্শণ কৰিছিল । বোধকৰো মাননীয় উপাধ্যক্ষ মহোদয়েও সেই অঞ্চল পৰিদৰ্শণ কৰিছিল । মই নলবাৰী সমগ্ৰ অঞ্চলটো পৰিদৰ্শণ কৰিছো । আমাৰ মাননীয় সদস্য শ্ৰীভুবনেশ্বৰ বৰ্মণেও তেখেতৰ সমষ্টি পৰিদৰ্শণ কৰিছিল। আমাৰ শ্ৰীচৌহানৰ

*Speech not corrected.

সমষ্টিও ক্ষতিগ্ৰস্ত হৈছে। বৰক্ষেত্ৰী, নলবাৰী, ধৰ্মপুৰ, টিহু আদি বিভিন্ন অঞ্চলৰ ঘৰ বাৰী ভাঙি পেলালে। আনকি বিধবাৰো ঘৰবাৰী ভাঙি পেলাইছে। ৩৫ হাজাৰ টকাৰ ভিতৰত ১৬ হাজাৰৰ চাউল বিতৰণ কৰিছে আধা কেজি এক কেজি কৰি। আমাৰ ৩১ টা বছৰৰ পৰিকল্পনাৰ পিচত প্ৰাকৃতিক দুৰ্যোগ, অনাবৃষ্টি, ধুমুহা আদি হলে প্ৰকৃতিকে দোষাৰূপ কৰি চৰকাৰে দায়িত্ব পালন কৰি আহিছে। এই জনতা চৰকাৰেও যদি এই দৰে ৰাইজক ধ্বংশৰ মুখলৈ থেলি নিদিয়ে তাৰ কাৰণে আহবাণ জনালো। প্ৰাকৃতিক দুৰ্যোগত ঘৰ-দুৱাৰ ভাঙি ক্ষতি গ্ৰস্ত কৰা সকলক চৰকাৰে পুনৰ সংস্থাপন কৰিব লাগে। মই দাবী জনাইছো চুৰান্ত ভাবে ক্ষতিগ্ৰস্ত হোৱা লোকসকলক ৰাজনৈতিক উদ্দেশ্যৰ কথা নাভাবি যি বিলাকৰ একে বাৰেই একোনাইকীয়া কৰিছি সেই সকলক ৫০০ টকাকৈ সাহাৰ্য্য বা ঋণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিন্তু আমাৰ ইয়াত ঋণৰ ব্যৱস্থা এনেকুৱা যে ৰঙা ফিটাৰ মেৰপাকত পৰি এক বছৰলৈকে ঋণ নাপায়। মই ঋণৰ কথা কোৱা নাই। চুৰান্ত ভাবে ক্ষতিগ্ৰস্ত লোক সকলক ৫০০ টকাকৈ মজলীয়া ধৰণেৰে ক্ষতিগ্ৰস্ত হোৱা সকলক ২৫০ টকাকৈ আৰু সাধাৰণ ভাবে ক্ষতি হোৱা সকলক ১০০ টকাকৈ সাহাৰ্য্য দিব লাগে। ইয়াৰ কাৰণে পোনপটীয়া ব্যৱস্থা লবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ইতিমধ্যে অনাবৃষ্টি হৈছেই। সেউজীয়া পথাৰ ৰঙা হৈ গৈছে। এই সম্পৰ্কতো চৰকাৰৰ সচেতনতা দেখা পোৱা নাই। এই ধ্বংশমুখী ৰাইজক ৰক্ষা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো।

**শ্ৰীকালিৰাম ডেকাৰজা** :— উপাধ্যক্ষ মহোদয়, কথাটো হৈছে খেনুক দেখি বাঘে খাড়ে, খেনুক দেখি দুৱাৰ বান্ধে। আমি এইটো কথা কলিং এটেনচনৰ প্ৰস্তাবৰ সম্পৰ্কত দেখিবলৈ পাইছো। কোনোবাই কলিং এটেনচন প্ৰস্তাৱ আনিলে দিঘলীয়া বক্তৃতা দিবলৈ দিয়ে আৰু কোনোবাই কলিং এটেনচনৰ প্ৰস্তাৱ আনিলে মুঠতে কেৱল পইন্টটো ৰেইজ কৰিবলৈ দিয়ে। আৰু কয় যে বক্তৃতা হব নোৱাৰে।

* **শ্ৰীলক্ষেশ্বৰ গোঁহাই (মন্ত্ৰী)** :— উপাধ্যক্ষ মহোদয় যোৱা ৪ আৰু ২০ এপ্ৰিল তাৰিখে নলবাৰী মহকুমাৰ বিভিন্ন অঞ্চলত হোৱা শিলা বৃষ্টি আৰু ধুমুহাৰ ফলত ক্ষয়-ক্ষতিৰ বিষয়ে চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। ৪ এপ্ৰিল তাৰিখে ৰাতি ওপৰ বৰভাগ। ধৰ্ম্মপুৰ আৰু ক্ষেত্ৰী ধৰ্ম্মপুৰ মৌজাত শিলা বৃষ্টি হয় আৰু এই অঞ্চলত ২৬৩ টা পৰিয়ালৰ ক্ষতিগ্ৰস্ত হৈছে বুলি জানিব পৰা গৈছে। আকৌ ২০ এপ্ৰিল তাৰিখে টিহু নলবাৰী আৰু বৰক্ষিত্ৰী চকুৰ ধৰ্ম্মপুৰ; নামবৰভোগ, বাহজানী, উপৰ বৰভাগ, উত্তৰ বৰক্ষেত্ৰী আৰু পুবৰবৰক্ষেত্ৰী অঞ্চলত ৰাতি প্ৰবল ধুমুহা আৰু বৃষ্টি হৈ যায়। ফলত ২৮১১ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে বুলি জনা গৈছে। ক্ষয়-ক্ষতিৰ পৰিমাণ কিমান হৈছে বিতংভাবে জনা হোৱা নাই যদিও এই সকল পৰিয়ালৰ থকা ঘৰ, বৰো খেতি আৰু শাক-পাচলিৰ খেতি ক্ষতি হৈছে বুলি জনাইছে। ইয়াৰ উপৰিও ৯ খন স্কুলৰও কম-বেছি পৰিমাণে ক্ষতি হৈছে। ক্ষতিগ্ৰস্ত লোক সকলক সাহাৰ্য্য দিবৰ বাবে নলবাৰী মহকুমাধিপতিৰ পৰা প্ৰথমে ২৫০০০·০০ (পচিশ হেজাৰ) টকা আৰু পিচত আৰু ২০·৪০০ (বিশ হাজাৰ চাৰিশ) টকা মঞ্জুৰী বিচাৰি প্ৰস্তাৱ পোৱা হৈছিল। চৰকাৰৰ তৰফৰ পৰা বছৰৰ আৰম্ভনিতে প্ৰত্যেক উপায়ুক্ত আৰু মহকুমাধিপতিৰ হাতত এনে সাহাৰ্য্য আগবঢ়াবলৈ ৮ হেজাৰকৈ টকা দিয়া হৈছিল। নলবাৰী মহকুমাধিপতিৰ পৰা প্ৰস্তাৱ পোৱাৰ পিছত এতিয়ালৈকে আৰম্ভনিতে দিয়া ৮ হাজাৰ টকাৰ উপৰিও আৰু ৩৫ হেজাৰ টকা দিয়া হৈছে। ইয়াৰে ২৫ হেজাৰ টকা অনুতোষিক সাহাৰ্য্য হিচাবে বিতৰণ কৰিবলৈ আৰু ১০ হেজাৰ টকা পুণৰ সংস্থাপনৰ বাবে সাহাৰ্য্য বিতৰণ কৰিবলৈ দিয়া হৈছে। অৱশ্যে পুণৰ সংস্থাপনৰ কাৰণে বৰ্ত্তমান নিয়ম অনুসাৰে উপায়ুক্তই দিব পাৰে বাবে এই ১০ হেজাৰ টকা কামৰূপ জিলাৰ উপায়ুক্তৰ যোগেদি উক্ত ক্ষতিগ্ৰস্ত অঞ্চলত বিতৰণ কৰিবলৈ কোৱা হৈছে।

উল্লেখ কৰিব পাৰি যে নলবাৰী মহকুমাধিপতিয়ে ৫০ কুইন্টল চাউল ইতিমধ্যে উদ্ধৃত ক্ষতিগ্ৰস্ত পৰিয়ালৰ মাজত বিতৰণ কৰিছিল। নলবাৰী মহকুমাধিপতিয়ে সেই অঞ্চলটোত

সাহায্য দিয়া সম্পৰ্কে স্থানীয় বিধায়ক আৰু আন আন বিষয়াৰ লগত যোৱা ২৩।৫।৭৮ তাৰিখে আলোচনা কৰে আৰু মহকুমাধিপতিয়ে এই আলোচনাতে দিয়া পৰামৰ্শমতে সাহায্য বিতৰণ কৰিবলৈ হাতত লৈছে বুলি জনাইছে। পুণৰ সংস্থাপনৰ বাবে বা আনুতোষিক সাহায্যৰ বাবে যদি উপায়ুক্ত বা মহকুমাধিপতিয়ে প্ৰয়োজন বোধ কৰি চৰকাৰক জনায়, তেন্তে চৰকাৰে সেই বিষয়ে বিবেচনা কৰি চাব।

*শ্ৰীৰবীন্দ্ৰ মালাকাৰ :— হাজো সমষ্টিত ২০ আৰু ২৭ এপ্ৰিল তাৰিখৰ ধুমুহাত বিস্তৰ ক্ষতি হৈছিল। এই বিষয়ত দুদিন পিছত মুখ্যমন্ত্ৰীক লগ ধৰিছিলো আৰু ভাষণ শুনি ভাল পাইছিলো। এনে ধৰণৰ দুৰ্ঘটনা বিলাকত তৎক্ষণাত সাহায্য পাব লাগে। কিন্তু অতি দুখৰ বিষয় যে আজি পৰ্য্যন্ত হাজো সমষ্টিৰ বিধ্বস্ত হোৱা লোক সকলে সাহায্য পোৱা নাই। ত্ৰিশ হাজাৰ টকা চেংচন হৈছে বুলি শুনিছো, কিন্তু আজিলৈ বিতৰণ হোৱা নাই। হাজো সমষ্টিৰ মনাকুচি গাঁৱৰ প্ৰায় এশ চিন্দুল কাষ্টৰ পৰিয়ালৰ থাকিবলৈ ঠাই নাইকীয়া হৈছে। এইখিনি কথা আজিলৈকে কৰ্তৃপক্ষই তদন্ত নকৰিলে। তাৰ পিছত যিবিলাক এল, পি স্কুল ভাঙি গল সেই বিলাকত লৰা-ছোৱালীয়ে কেনেকৈ পঢ়িছে ভগৱানে জানে। গতিকে এনেকুৱা দুৰ্য্যোগত চৰকাৰ তৎপৰ হলে ভাল হয়। হাজো সমষ্টিৰ মানুহক সাহায্য দিব বুলি আশা কৰিলো।

* শ্ৰীনৰেন্দ্ৰ নাথ দত্ত :—মই সুধিছিলো সাহায্যৰ পৰিমাণ কম হৈছে। সাহায্যৰ পৰিমাণ বৃদ্ধি কৰি ৰাইজক সকাহ দিয়াৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—মই বিবৃত্তিটোত উল্লেখ কৰিছো যে পুনৰ সংস্থাপনৰ বাবে বা আনুতোষিত সাহায্যৰ বাবে যদি উপায়ুক্ত বা মহকুমাধিপতিয়ে প্ৰয়োজন বোধ কৰি চৰকাৰক জনায় তেন্তে চৰকাৰে সেই বিষয়ে চিন্তা কৰি চাব। ইতিমধ্যে পুনৰ সংস্থাপনৰ কাৰণে পাঁচশ টকা কোনো জামিন নোহোৱাকৈ দিব পৰা যায়। পাঁচশ টকাৰ ওপৰত হলে মাটি-বাৰী লাগিব, বিশ হাজাৰ টকা দিব পৰা যায় যদি বিলতীয় পক্ষই জামিন হয়।

* শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— মই নিবেদন কৰিব বিচাৰিছো যে ২০ এপ্ৰিল তাৰিখে গোটেই অসমত ভয়ংকৰ ধুমুহা হৈছে। তাৰ ফলত কেইটামান সমষ্টিয়েই মহৰ কোকৰাঝাৰ মহকুমাত বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ঘৰ-বাৰী একেবাৰে উৰাই লৈ গৈছে। তেনেকৈ পশ্চিম কোকঝাৰ সমষ্টিত বিৰাট ক্ষতি সাধন হৈছে। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে কোকৰাঝাৰ মহকুমাৰ এচ, ডি, অ, আৰু ডি, চিৰ পৰা ৰিপোৰ্ট আনি উপকাৰ পোৱাৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— এই খবৰটো বিবেচনা কৰিম।

* শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ :— মন্ত্ৰী মহোদয়ে সহজতে পাঁচশ টকা জামিন নোহোৱাকৈ পোৱা কথা কৈছে। সহজতে ঋণ পোৱাৰ ব্যৱস্থা কৰিবনে যাতে ইয়াৰ বাবে অফিচে অফিচে, দিশপুৰৰ পৰা তলৰ লেভেললৈ ঘূৰি ফুৰিব নালাগে ? অকল কোকৰাঝাৰ, নলবাৰীতেই নহয় গোটেই উত্তৰ কামৰূপত ধুমুহাত ক্ষতিগ্ৰস্ত হৈছে। বৰপেটাৰ বিভিন্ন অঞ্চলত মই নিজে ঘূৰি মহকুমাধিপতিক আৰু উপায়ুক্তক জনাইছো। মন্ত্ৰী মহোদয়ে পাটাচাৰকুচি সমষ্টিৰ ৰিপোৰ্ট আনি সাহায্য দিয়াৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— ৬—৭টা মহকুমাৰ ৰিপোৰ্ট আহিছিল আৰু সেইমতে সাহায্য আগবঢ়াইছো। সেই কেইটা মহকুমা হল ডিব্ৰুগড়, লক্ষীমপুৰ গোলাঘাট, নলবাৰী আৰু গোৱালপাৰা।

* শ্ৰীযোগেন গগৈ :— প্ৰাকৃতিক দুৰ্যোগত মহকুমাধিপতিয়ে, উপায়ুক্তই দিশপুৰৰ পৰা মন্ত্ৰীয়ে কিমান সাহায্য দিব পাৰে ? আমি সাধাৰণতে দেখিছো ঘৰ উচন হৈছে মাত্ৰ মহকুমাধিপতিয়ে ২৫ টকা দিয়ে। ঋণ দিয়াৰ ক্ষেত্ৰত কি কি বিশেষ ধৰণৰ ঋণ দিয়া হব ? এঘৰ মানুহ প্ৰাকৃতিক দুৰ্য্যোগত আদায় হৈছে, খেতিৰ সময় আহিছে গৰু মহ কিনিবৰ কাৰণে কেট্‌ল লনৰ বাবে যদি এহেজাৰ টকাৰ দৰকাৰ হয়, এনেকুৱাভিত্তিৰ ঋণ দিয়াৰ ব্যৱস্থা আছেনে ? কি পৰ্য্যায়ত ঋণ দিয়া হয় ?

*Speech not corrected.

* শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :— মহকুমাধিপতিক আঠ হাজাৰ টকা আগতীয়াকৈ দি থকা হৈছে। যদি বিশেষ আপত্তি আহে তি, চিয়ে ২৫ টকা দিব পাৰে। ইয়াৰ বেছি চৰকাৰে তিনিশ টকা দিব পাৰে।

* শ্ৰীযোগেন গগৈ :—যি সকলৰ ঘৰ আদায় হৈ গৈছে সেই সকল মহকুমাধিপতিৰ ওচৰলৈ অহা যোৱা কৰোতে বাছ ভাড়াত ৫০ টকা যায়। তেওঁ পায় মাত্ৰ ২৫ টকা। এইটো মাছুৰ লগত নিমখ দিয়া কথা হয়নে নহয় ?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—এইটো বিবেচনা কৰি থকা হৈছে।

* শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈ :— ধুমুহা কেৱল কামৰূপ জিলাতেই নহয় গোটেই অসমত হৈছে। ধুমুহাই নগাঁও জিলা স্পৰ্শ নকৰাকৈ তিনিচুকীয়ালৈ কেনেকৈ গল ? নগাঁৱৰ মৰিগাঁৱত নষ্ট হোৱাৰ ৰিপোৰ্ট অহা নাই নেকি ?

* শ্ৰীগোলোক কাৰ্কতি :—তিনিচুকীয়াত আৰম্ভ হৈ উত্তৰ পাৰেদি বৰপেটা পাইছে। খবৰ কাগজত ওলাইছে।

* শ্ৰীৰথীন্দ্ৰ মালাকাৰ :— মন্ত্ৰী মহোদয়ে কৈছে যে পাঁচশ টকাৰ ওপৰৰ ঋণ দিবলৈ হলে চিকিউৰিটি লাগিব। বহুতো ঘৰ ভঙা বিধবা তিৰোতা আছে যি সকলে চিকিউৰিটি লোৱাটো দূৰৰ কথা ঋণ লবলৈকো ভয় কৰে। ৰিফিউজি সকলৰ সাহায্য দিবৰ কাৰণে ভাৰত চৰকাৰে কেনে ভাৱে সাহায্য কৰিছিল আৰু অসমীয়া মানুহৰ দুৰ্যোগত খাবলৈ নাপাই মৰে। অসম চৰকাৰে কিয় সাহায্য দিব নোৱাৰে। ইয়াত ঋণৰ কোনো প্ৰশ্ন আহিব নোৱাৰে। এল, পি স্কুল বিলাক ভাঙি গলে চেক্ৰেটেৰীয়ে টকা খাব কৰি স্কুল কৰি লব নেকি ? যিকেইটা স্কুল ভাঙি গৈছে তৎকালিন হিচাবে এহেজাৰ টকা দিয়া যাওক আৰু প্ৰত্যেককে পাঁচশ টকাকৈ দিয়া যাওক। কিছুমান মানুহ আছে ধাৰ লবলৈ সক্ষম নহয়। যিবিলাক প্ৰাই-মাৰী স্কুল ভাঙিছে সেই বিলাকক এহেজাৰ আৰু হাইস্কুল বিলাকক পাঁচ হেজাৰ টকাকৈ দিয়া হওক।

* শ্ৰীৰিপিন হাজৰিকা :—প্ৰাকৃতিক দুৰ্যোগত যি বিলাক প্ৰাথমিক স্কুল হৰিজন থকা অঞ্চলত ভাঙিছে তাত স্কুলৰ শিক্ষক জনক অন্য স্কুলত জাপি দিয়া হৈছে। শদিয়া অঞ্চলৰ মিঠাআম, তিলেশ্বৰী স্কুলত তেনে কৰিছে। এনে স্কুলৰ সংখ্যা দহ পোন্ধৰ খন ওলাব। যদি কোনো স্কুল ভাঙি পৰে তেন্তে দৰ্খাস্ত কৰিলেও কোনো ব্যৱস্থা নলয়। গতিকে এনেকৈ পৰিত্যাগ কৰা স্কুলৰ তালিকা প্ৰস্তুত কৰি ব্যৱস্থা লবনে ?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—এইটো শিক্ষা বিভাগৰ দৃষ্টি গোচৰ কৰিলে ভাল হয়।

* শ্ৰীৰিপিন হাজৰিকা :— এই বিলাক প্ৰাকৃতিক দুৰ্যোগত নষ্ট হৈছে, গতিকে তদন্ত কৰি ব্যৱস্থা লোৱাটোত ৰাজহ বিভাগৰ দায়িত্ব আছে। গতিকে শিক্ষা বিভাগক দি দিলে কাম হব বুলি নাভাবো।

* শ্ৰীকুলবাহাদুৰ চেত্ৰী :—গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা ৰিভিন্ন ৰাইজে এবছৰৰ পিচত এশ টকা পাইছে। গতিকে এইটো তদন্ত কৰি ব্যৱস্থা লবনে ?

* লক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—এইটো প্ৰশ্ন বেলেগে কৰিলে ভাল হয়। স্কুলৰ কথাটো শিক্ষা বিভাগক জনালে ভাল হয়।

---

*Speech not corrected.

*শ্ৰীখগেন বৰবৰুৱা :—মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয়ৰ এটা গুৰুত্বৰ বিষয়ে মনোযোগ আকৰ্ষণ কৰিব খুজিছো। আজি হল দুই তাৰিখ। অহা পোন্ধৰ তাৰিখে গোটেই অসমৰ চিকিৎসা সেৱা সংস্থাই মিলি ধৰ্মঘট আৰম্ভ কৰিব খুজিছে। মোলৈ খবৰ আহিছে আৰু তাৰ পৰা মই কব পৰো যে, অসমৰ সকলো ডাক্তৰ এই বিষয়ে সাজু হৈ আছে। তেখেত সকলৰ দাবীৰ বিষয়ে আগৰ চৰকাৰৰ লগত বিশেষ চুক্তি হৈছিল। সেই চুক্তি মতে, সেই এগ্ৰিমেণ্ট মতে চৰকাৰে আজিলৈকে কাম কৰা নাই। যদি সেয়ে হয় তেনেহলে তেখেতসকলে কি কৰিবলৈ ওলাইছে এইটো—

during this period the members will refrain from doing any harm in the State Dispensaries; Primary Health Centres, Civil Hospitals, Health Offices. Even the members will refrain from doing private practice, emergency duty, epidemic duty etc.

উপাধ্যক্ষ মহোদয়, তেতিয়া হলি হস্পিতাল বন্ধ হৈ যাব। ডাক্তৰে যদি কাম নকৰে তেনেহলে বেমাৰী অৱস্থা সাংঘাটিক হব। হস্পিতেলৰ পৰা আৰু হস্পিতেলত যিবিলাক ৰোগী আছে সেইবিলাক মৃত্যুৰ মুখলৈ লাহে লাহে আগবাঢ়ি যাব। বাহিৰৰ ৰোগী বিলাকেও চিকিৎসাৰ সুবিধা নাপায়। ফলত বহুতো ৰোগী মৃত্যুৰ মুখত পৰিব। কাৰোবাৰ হাত ভাঙিলে হাতৰ কোনো চিকিৎসা নহয়। ইমাৰজেন্সিৰ কেচ বিলাকেও অসুবিধা ভোগ কৰিব লাগিব। গতিকে তেতিয়া অৱস্থা অতি শোচনীয় হব। বোধকৰো এই বিষয়ে চৰকাৰে নিশ্চয় গম পাইছে। আশা কৰো যে, এতিয়াও আমাৰ সময় আছে এচচিয়েছনৰ লগত সংস্থাৰ লগত আলোচনা কৰি মীমাংসালৈ আহিব আৰু মুখ্যমন্ত্ৰীয়ে এই বিষয়ে আলোচনা কৰিবৰ কাৰণে সদনক সুবিধা দিব।

*ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :—অসমৰ ডাক্তৰ সকলে যিটো বিষয় লৈ ধৰ্ম্মঘট কৰিছে সেই বিষয়ে আমাৰ বিভাগে তেখেতসকলৰ লগত আলোচনা কৰিছে। আৰু এই বিভাগটো যদিও অতি পুৰণা বিভাগ, আগৰ চৰকাৰে তেখেত সকলৰ বিশেষকৈ দুটা কথাত কনফাৰেন্স আৰু চিনিয়ৰিটি লৈ বহুত দিনৰ পৰা লাগি থকা স্বত্বেও এতিয়ালৈকে এইটো দিব পৰা নাই। আৰু আজি আহি এই পৰ্য্যায়ত উপনীত হৈছেহি। যোৱা নবেম্বৰ মাহত চৰকাৰে তেখেতসকলৰ লগত এটা চুক্তি কৰিছিল, তেতিয়া তেখেতসকলে বিধানসভাৰ অধিবেশনৰ সময়ত হাঙ্গাৰ ষ্ট্ৰাইক কৰিছিল। সেই চুক্তি মতে এক মাহৰ ভিতৰত বহুখিনি কাম কৰি দিয়াৰ কথা আছিল, কিন্তু বিভিন্ন কাৰণত সেই কাম হৈ নুঠিল। বৰ্ত্তমান চৰকাৰে এই গোটেইখিনি কথা আৰু কেনেকৈ তেখেতসকলৰ দাবী আৰু যি পাবলগীয়া কথা সেই গোটেইখিনি পৰীক্ষা নিৰীক্ষা কৰি সুস্থ পৰিবেশৰ মাজত এই কাম সমাধা কৰি কেনেকৈ আমাৰ ৰাজ্যত চিজ ওৱৰ্ক নহয় তাৰ কাৰণে চৰকাৰে বিবেচনা কৰিছে। আৰু ইতিমধ্যে সদনত চলি থকা এই বিষয়টোৰ বিষয়ে ডাক্তৰ সকল আৰু মাননীয় সদস্য সকলে সিদ্ধান্ত জানিবলৈ পাব।

*শ্ৰীপ্ৰমোদ গগৈ :— উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো বিবৃতি দিছে যে, সেই সময়ত চিকিৎসক সকল বিধান সভাৰ সন্মুখত অনশন কৰি থকাৰ ফলত চৰকাৰে তেখেতসকলৰ লগত আলোচনা কৰিবলৈ এটা কমিটি গঠন কৰি দিয়ে আৰু সৌভাগ্যৰ কথা যে, বৰ্ত্তমানৰ স্বাস্থ্য মন্ত্ৰীও তাত আছিল আৰু তেখেত নিজেও এগ্ৰিমেণ্টৰ চিগনেটৰি। এতিয়া চিকিৎসক সকলৰ দাবী হৈছে যে ১৯৭৭ চনৰ ৩ নভেম্বৰ তাৰিখে চৰকাৰ আৰু বিধান সভাৰ প্ৰতিনিধি সকল আৰু তেখেত সকলৰ এচোচিয়েচনৰ মাজত যিটো চুক্তি হৈছিল আৰু যি চুক্তিত বৰ্ত্তমানৰ স্বাস্থ্য মন্ত্ৰীয়েও সদস্য হিচাবে স্বাক্ষৰ কৰিছিল সেই চুক্তি বিলাক এতিয়ালৈকে কিয় কাৰ্যকৰী হোৱা নাই। তাৰ এটা বিস্তৃত বিৱৰণ স্বাস্থ্য মন্ত্ৰীয়ে সদনত দিব লাগে আৰু সেই চুক্তি বিলাক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে তাৰো এটা স্পষ্ট বিৱৰণ দিবৰ বাবে মই স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

---

*Speech not corrected.

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, অৱশ্যি গোটেই সংক্ৰান্তটোতে বৰ্তমান স্বাস্থ্য মন্ত্ৰী জৰিত আছিল। আৰু সেই সময়ত এই গোটেই ঘটনাটো যি হিচাবে কাৰ্য্যকৰী কৰিব লাগিছিল সেই সময়ত কৰা নহল। গতিকে আমি গোটেই কথা বিবেচনা কৰি ২/১ টা দিনৰ ভিতৰতে দিয়াৰ কথা আছিল। কিন্তু কেবিনেট দিচিচন নোহোৱাৰ কাৰণে বিভাগে এইটো কৰিব নোৱাৰে। গতিকে কেবিনেটত ১৪ তাৰিখৰ আগতেই যাতে তেখেত সকলৰ কথা কেইটা মিমাংসা কৰিব পাৰি তাৰ কাৰণে চেষ্টা চলোৱা হৈছে। গতিকে মই ভাবো যে এই কথাটোৰ সিদ্ধান্ত হলে বোধকৰো আৰু কোনো বিব্ৰান্তি নিদিলেও হব।

* শ্ৰীপ্ৰমোদ গগৈ :— উপাধ্যক্ষ মহোদয়; তেখেতে কৈছে যে কিছুমান বিষয়ত কেবিনেটৰ সিদ্ধান্ত লাগিব পাৰে। কিন্তু সেই চুক্তিমতে কেইটামান চুক্তি আছিল যি কেইটা আজিলৈকে—যেনে ডাক্তৰ সকলৰ চিনিয়ৰিটি লিষ্ট নাই আৰু যিটোৰ সিদ্ধান্তৰ কোনো প্ৰয়োজন নাই। আৰু সৰহ ভাগ ডাক্তৰে চিনিয়ৰিটি আৰু কনফাৰমেচন হোৱা নাই। চিনিয়ৰিটি আৰু কনফাৰমেচনৰ ক্ষেত্ৰত কেবিনেটৰ সিদ্ধান্ত প্ৰয়োজন নাই। অন্ততঃ যি কেইটা দাবী কেবিনেটৰ দিচিচন নোহোৱাকৈ কৰিব পাৰি সেই কেইটা চুক্তি চিকিৎসা বিভাগে তেখেতসকলৰ তৎকালিন ভাবে সিদ্ধান্ত কৰি দিবলৈ চিন্তা কৰিছেনে ?

* ডাঃ কোষেশ্বৰ বৰা :— চিনিৰিটি সম্পৰ্কত তেখেত সকলৰ যিটো দাবী সেইটো কেবিনেটলৈ যাবলগীয়া হৈছে। কাৰণ চৰকাৰী চাকৰিয়ালে এ পি এচ চিত ৰেগুলাৰাইজ হোৱাৰ পিচৰ পৰাহে চিনিয়ৰিটি দিয়া যায়। কিন্তু তেখেত সকলে দাবী কৰিছিল যে তেওঁলোকক নেত অব জইনিঙৰ পৰা তেওঁলোকক চিনিয়ৰিটি দিব লাগে। সেই কাৰণেই এইটো কেবিনেটলৈ যাবলগীয়া হৈছে।

* শ্ৰীমুকুট শৰ্মা :—উপাধ্যক্ষ মহোদয়, আগতে চৰকাৰৰ লগত যিটো এগ্ৰিমেন্ট কৰা হৈছিল তাক আমাৰ বৰ্ত্তমান স্বাস্থ্য মন্ত্ৰী মহোদয় আৰু কেবিনেট মন্ত্ৰী শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই বিৰোধি দলৰ সদস্য হিচাবে স্বাক্ষৰ কৰিছিল। আজি বাতৰি কাকতত দেখিবলৈ পাইছো যে ডাক্তৰ সকলৰ এখন চিনিয়ৰিটি লিষ্ট কৰিছিল। তাত আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ নামটোও আছে। এতিয়াও তেওঁও চৰকাৰী চাকৰিত থাকি মন্ত্ৰী হিচাবে কেনেকৈ কাম কৰি আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াইও কৈছে যে, আগৰ চৰকাৰৰ লগত যি এগ্ৰিমেন্ট হৈছিল তাত কেৱল বিভাগীয় মন্ত্ৰী মহোদয়েই নহয় মাননীয় কৃষি মন্ত্ৰী শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াও উপস্থিত আছিল। যিখন চিনিয়ৰিটি লিষ্ট তৈয়াৰ কৰা হৈছে তাত নানান খেলি-মেলি থকাৰ কাৰণে আপত্তি দৰ্শোৱা হৈছিল। যোৱাকালিৰ 'আসাম ট্ৰিবিউন'তো দেখা গৈছে যে, এই লিষ্টত আমাৰ বিভাগীয় মন্ত্ৰীৰ নামটোও সোমাই আছে। তাৰ পৰাই আমি এইটো বুজিব পাৰিছো এই বিভাগটো কেনেকৈ চলিছে। মন্ত্ৰী মহোদয়ে চাকৰি এৰা আজি ছবছৰ হল। তথাপিও তেখেতৰ নামটো এই লিষ্টত সোমাই আছে। এই লিষ্টখন আমি কেনেকৈ বিশ্বাস কৰিম। গতিকেই বাকী ডাক্তৰ সকলো তাত সন্তুষ্ট হব পৰা নাই।

Mr. DEPUTY SPEAKER : I have only allowed to raise the issue. So let us now pass on to the item No. 4, resolution No. 3 standing in the name of Shri Samsul Huda.

---

*Speech not corrected.

*শ্ৰীছামছুল হুদা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই এই বিৰ্জলিউশ্বনটো পঢ়ি দিছোঁ — —

"This Assembly recommends to the Govt. of **Assam** that for effective implementation of compulsory Primary Education among the **poor masses** of the State, each father or mother, **as** the case may be paid a monthly educational allowance of **Rs.** 100.00 for each of his or her sons and daughters with immediate effect."

উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো অনা হৈছে আমাৰ ৰাজ্যখনৰ এক শ্ৰেণীৰ লোকৰ কাৰণে যি খিনি লোকৰ সম্পৰ্কে ইতিমধ্যেই যোৱা কালি আমাৰ বাজেটৰ ওপৰত হোৱা সাধাৰণ আলোচনাৰ ক্ষেত্ৰত কৈছোঁৱেই। আমাৰ দেশত যিবিলাক আইন কানুন তৈয়াৰ কৰিছে সেই বিলাক কেৱল আমাৰ শতকৰা ৩০ ভাগ মানুহৰ বাবেইহে। যি সকল দৰাচলতে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা সৰ্ব্বহাৰা মানুহ, যি সকল গৃহহীন, কৰ্ম্মহীন, ভূমিহীন মানুহ সেই সকলৰ সম্পৰ্কে যোৱা ৩০।৩১ বছৰে কেনো ব্যৱস্থাই কৰা নহল। অনান্য সা-সুবিধা বিলাক যেনেকৈ পোৱা নাই সেইদৰে শিক্ষাৰ অন্যতম সা-সুবিধা খিনিও পোৱা নাই। এইটো বৰ দুখৰ কথা যে, স্বাধীনতা লাভ কৰা আজি ৩০।৩১ বছৰ হৈ গল। তথাপিও এই কালছোৱাত একশ্ৰেণীৰ লোকে তিওঁলোকৰ লৰা-ছোৱালী বিলাকক লিখা-পঢ়া শিকোৱাৰ কোনো সুবিধাই নেপালে। এই লোক সকলৰ অৱস্থা ইমানেই সুচনীয় যে, নিজৰ লৰা-ছোৱালী বিলাকক পঢ়া-শুনা কৰি দিবলৈকে সক্ষম নহয়। এনে লোকৰ লৰা-ছোৱালী বিলাকক লিখা পঢ়াৰ খৰচ যোগোৱাটো ডাঙৰ কথা জীৱিকা পৰ্য্যন্তও মা-বাপেকক কৰি দিব লাগে। স্কুললৈ যোৱাৰ কথা বেলেগিটে ১১।১২। ১৮ বছৰৰ তলৰ লৰা-ছোৱালীয়ে নিজৰ জীৱিকা নিজেই উপাৰ্জন কৰিবলগীয়া হৈছে। গৰীৱ মাক-বাপেকক দুপইচা উপাৰ্জন কৰি দিব লাগে। পান দোকান আদিত কাম কৰি দুই চাৰি পইচা উপাৰ্জন কৰিব নোৱাৰে তেতিয়া হলে, নিজে দুবেলা দুমুঠি খোৱা বেলেগেই মাকৰ কেও তেওঁ বিলাকক পা-পইচা যোগাৰ ধৰিব নোৱাৰে। আনকি বৰ আচৰিত কথা যে, পঢ়াশুনা কৰা দূৰৰ কথা এই বিলাক লৰাছোৱালীয়ে ৮ অনাত দিন হাজিৰা কৰিবলগীয়া হৈছে। মাক-বাপেকক টকাৰ যোগাৰ ধৰিবলগীয়া হৈছে। এইটোৱেই হৈছে আমাৰ সভ্যতাৰ নমুনা। লৰাছোৱালী বিলাক স্কুললৈ যোৱাৰ উপায় নাই। এহাতেদি পেট ভাত নিজে যোগাৰ কৰিব নোৱাৰিলে মাক-বাপেকেও ভাত দিব নোৱাৰে। কাপোৰ কানি দিব নোৱাৰে। সংবিধানত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিছে। কৰাস্বত্বেও আমি আজি ৩১ বছৰে সকলোৱে মিলি এই লোক সকলক বিস্বাসঘাতকতা কৰি আহিছে। আমি ফাকি দি আহিছোঁ। প্ৰাথমিক শিক্ষক্ষক বাধ্যতামূলক কৰিবৰ কাৰণে এই সম্পৰ্কে আঁচনিৰ কাৰ্য্যকৰী ব্যৱস্থা কৰিবৰ কাৰণে আমি যি বিলাক ব্যৱস্থা কৰিব লাগিছিল আমি তাৰ ওচৰেৰে পাজৰেই যাবপাৰা নাই। সেই কাৰণেই প্ৰাথমিক বিদ্যালয়ৰ নাতনি আছে, শিক্ষক সকলৰো নাতনি। তাৰোপৰি, আৰু এটা ডাঙৰ কথা হৈছে যে, ঘৰৰ ওচৰতে যদিও একো খন স্কুল আদি থাকে তাতো লৰা-ছোৱালীয়ে ১০ বজাতো স্কুলত হাজিৰ হব নোৱাৰে। কিয়নো গাঁৱৰ মাতস্বৰ শ্ৰেণীৰ লোকৰ তাত গৰখীয়া হব লাগিব। বজাৰত খৰি বেছি পেটৰ ভাত মোকোলাবৰ কাৰণে ১০।১২ মাইল আতৰৰ জংঘললৈ গৈ তাকো খোজ কাঢ়ি খৰি কাতিবলৈ যাব লাগিব। মাছ মাৰি বজাৰত সেই মাছ বেছি পেটৰ ভাত মোকোলাব লাগিব। ঘাঁহ কাটিব লাগিব, ধান মৰাপাট কাটিব-চিকোনাৰ লাগিব। গতিকে আমি যদি আজি সচাঁকৈয়ে আন্তৰিকতাৰে সৈতে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব বিছাৰো তেতিয়া হলে, প্ৰথমতে আমি এই গৰীৱ লৰা-ছোৱালী বিলাকৰ কাৰণে মাক-বাপেকক শিক্ষাৰ বানচ দিব লাগিব। এই বানচৰ ক্ষেত্ৰত দুটা ভাগ আছে। লৰা-ছোৱালীৰ অন্ন-বস্ত্ৰ সংস্থান, ভাত-কানি কাপোৰৰ কাৰণে মাক বাপেকেকো এটা বানচ দিয়াৰ ব্যৱস্থা কৰিব লাগিব আৰু আন হাতেদি লৰা ছোৱালীয়ে

*Speech not corrected.

যাতে নিজৰ ভাত, কাপোৰ কাপোৰৰ, কিতাপ পত্ৰৰ যোগান নিজেই কৰি লব পাৰে তাৰ কাৰণেও লৰা ছোৱালী বিলাকৰ কাৰণে এটা বানচ দিয়াৰ ব্যৱস্থা কৰিব লাগে। যি সকল লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত পৰি আছে সেই সকললোকৰ লৰা ছোৱালীক শিক্ষা দিবৰ কাৰণে মাক বাপেকক ১০০ টকাকৈ এটা বৃত্তি দিয়াৰ যি কথা কোৱা হৈছে সেইটো নিতান্তই ভাল কথা হৈছে। অৱশ্যে ইয়াতকৈ বেছি হলেও কোনো কথা নাই। যদি উপাধ্যক্ষ মহোদয়, এই ব্যৱস্থা কৰা নহয় তেতিয়া হলে, যোৱা ৩১ বছৰৰ দৰে যুগৰ অভিশাপ এইদৰেই লৈ থাকিব লাগিব।

আমি যদি এই গৰীব মানুহ বিলাকৰ শিক্ষা ভাট্টাৰ যদি ব্যৱস্থা কৰিব নোৱাৰো তেতিয়া হলে এই দৰিদ্ৰৰ সীমা ৰেখাৰ তলত থকা এই মানুহ খিনিক আগৰ দৰেই নিৰক্ষৰ হৈ থাকিব। ভাৰতবৰ্ষত এই অসমৰ দুখীয়া মানুহখিনি চিৰকালেই মূৰ্খ হৈ থাকিব। সেই কাৰণেই উপাধ্যক্ষ মহোদয়, মই কৈছো আপুনিও জানে আৰু আমি সকলোৱে জানো যে আমাৰ গৰীব মানুহ বিলাকে যদি এই দেশখনত ঘাঁহ নাকাটে আৰু পথাৰ চিকুনাই নিদিয়ে তেতিয়া হলে আমি কেতিয়াও খেতি কৰিব নোৱাৰো। আৰু তেওঁলোকে যদি বৰ্ষা পুহি আমাক গাখীৰ যোগান নধৰে আমি গৰুৰ গাখীৰ খাবলৈ নাপাম, আৰু তেওঁলোকে যদি বিলৰ পৰা মাছ ধৰি আমাক নিদিয়ে আমি মাছ খাবলৈ নাপাম, মৰাপাটৰ খেতি নকৰে যদি মৰাপাট নাপাম। অথচ এই চাম মানুহৰ থাকিবলৈ ঘৰবাৰী নাই, আৰু লিখা-পঢ়া কৰিবৰ কাৰণে ক্ষমতা নাই। কিন্তু এওঁলোকেই আজি আমাৰ দেশৰ অৰ্থনৈতিক ভেটি দাণ্ডি ধৰিছে। এই মানুহ বিলাকে আমাক যিবিলাক বস্তু যেনে মাছ, গাখীৰ ইত্যাদি যাবতীয় দৰকাৰী বস্তু আমাক খাবলৈ দিছে সেই বিলাক বস্তু তেওঁলোকৰ লৰা-ছোৱালীয়ে কোনো দিনেই খাবলৈ পোৱা নাই। আমি কেতিয়াবা সুধিছো নে যে গৰুৱাল জনৰ গাইজনীয়ে কিমান দিন গাখীৰ দিয়া নাই? আৰু এই কাৰণে তেওঁ কিমান কষ্ট কৰিবলগীয়া হৈছে? কিন্তু এই চাম মানুহৰে ল'ৰা-ছোৱালীক আমি প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা খিনিকে কৰি দিব পৰা নাই। তেওঁলোকৰ ল'ৰা-ছোৱালী বছৰৰ পিচত বছৰ ধৰি আজি ৩১ বছৰ পাৰ হৈ গল প্ৰাথমিক শিক্ষাকনকে লব পৰা নাই। সেইটো আচৰিত কথা। মাতৰীয় সভ্যতাৰ চৰম নিদৰ্শনা যোৱা ৩১ বছৰে আমি তেওঁলোকৰ ওপৰত বিশ্বাসঘাতকতা কৰি আহিছো। বহুতে প্ৰশ্ন কৰিব পাৰে যে ইয়াৰ কাৰণে বহুত টকাৰ প্ৰয়োজন হব। কিন্তু দেশৰ এই দুখীয়া মানুহখিনিক প্ৰাথমিক শিক্ষা দিয়াৰ কাৰণে চিন্তা কৰা নাই, এই চাম মানুহৰ ভোটৰ ওপৰতেই আমি নেতা হৈ পৰিছো, শাসনত বহিছো আৰু তৰ্ঘিলাঘিলাই কৰিছো। এই চাম মানুহৰ পৰিশ্ৰমৰ ওপৰতেই আমি আমাৰ অৰ্থনীতিক টনকিয়াল কৰিছো। কিন্তু তেওঁলোকৰহে আমাৰ মাত মাতিবৰ অধিকাৰ নাই। টকাৰ প্ৰয়োজন হব বুলি বাৰ বাৰ কৈ থকা হৈছে। আমি যোৱা ৩১ বছৰে কোটি কোটি, হাজাৰ হাজাৰ টকা খৰচ কৰি আহিছো। কিন্তু এইখিনি মানুহৰ কথা আমি কোনো দিনাখন চিন্তা কৰা নাই। তেওঁলোকৰ প্ৰাথমিক শিক্ষা ব্যৱস্থা কনো কৰাৰ কাৰণে আমাৰ অৱকাশ নাই। তেওঁলোকৰ ল'ৰা-ছোৱালীক পঢ়াশুনাৰ পৰা আতৰত ৰাখি খৰি লুৰিবলৈ পঠোৱা হৈছে, শেলেকু বুটলিবলৈ পঠোৱা হৈছে, গৰু চৰিবলৈ পঠোৱা হৈছে, মাছ মাৰিবলৈ পঠোৱা হৈছে, এইদৰে তেওঁলোকক শিক্ষাৰ পোহৰৰ পৰা আতৰত ৰখা হৈছে। ই এটা আমাৰ জাতীৰ কাৰণে, যুগৰ কাৰণে, ডাঙৰ অভিশাপ নহয়নে? আমাৰ চৰকাৰী কৰ্ম্মচাৰী সকলে চাকৰি কালত দৰমহা পায়, ভেটি পায় আৰু অৱসৰৰ পিচত পেঞ্চন পায় আৰু ৰাজনৈতিক নেতা সকলে ভুৱা দি হলেও পেঞ্চন পাইছে, কিন্তু এই দুখীয়া মানুহখিনিয়ে যিখিনিয়ে দেশৰ স্বাধীনতাৰ কাৰণে ইন্‌কিলাব জিন্দাবাদ, বন্দেমাতৰম্ বুলি কৈ বন্দুকৰ গুলি বুকু পাতি লৈছিল, কাৰাবৰণ কৰিছিল সেইসকলৰ ল'ৰা-ছোৱালীয়ে যোৱা ৩১ বছৰে প্ৰাথমিক শিক্ষাকনো আহৰণ কৰিবলৈ সুবিধা পোৱা নাই। এই ল'ৰা-ছোৱালী-বিলাকৰ কি অপৰাধ হৈছে যে তেওঁলোকে সাংবিধানিক অধিকাৰৰ পৰা, গণতন্ত্ৰৰ অধিকাৰৰ পৰা বঞ্চিত কৰি থোৱা হৈছে? অথচ সংবিধানে সকলোৱে কাৰণে সমানে চিন্তা কৰাৰ

কাৰণে সুবিধা দিছে। কিন্তু এইখিনি মানুহক কিয় আমি সাওঁৰি লব পৰা নাই ? আমাৰ ৰাজ্য চৰকাৰৰ তেওঁলোকৰ প্ৰতি কি কৰ্তব্য নাই ? এই মানুহখিনিয়ে কি জন্মগত অধিকাৰৰ পৰাও বঞ্চিত নেকি যে তেওঁলোকে প্ৰাথমিক শিক্ষাকনো লব নোৱাৰে ? তেওঁলোকে ৰাকুত, কপালত চীন মাৰি আহিছিনেকি যে সংবিধানৰ অধিকাৰৰ পৰাও তেওঁলোক বঞ্চিত হব ? আৰু তেওঁলোকক লিখা-পঢ়া শিকালে অন্যায় কৰা হব ? ইয়াৰ পৰা মুক্ত কৰাৰ কি আমাৰ কৰ্তব্য নাই ? সেইকাৰণেই উপাধ্যক্ষ মহোদয়, যি পলম হৈছে হৈছেই অন্ততঃ ৩১ বছৰ পিচত হলেও সকলো ৰাজনৈতিক দলে বাধাহীন ভাবে একগোট হৈ এই সমাজৰ দুখীয়া, অবহেলিত মানুহখিনিৰ ল'ৰা-ছোৱালী বিলাক যি বিলাকে এমুঠি খাবলৈ নাপায়, পিন্ধিবলৈ নাপায়, সেইখিনিৰ লিখা-পঢ়াৰ সুবিধাৰ কাৰণে কিবা এটা ব্যৱস্থা কৰি দিওঁ। তেওঁলোকৰ ল'ৰা-ছোৱালী বিলাকক তেওঁলোকৰ জীৱন নিৰ্বাহৰ কাৰণে এটা পথ মুক্ত কৰি দিওঁ, ৰোজগাৰ কৰি দিওঁ। আহক আপোনালোক সকলোৱে আগবাঢ়ি আহক। আমি আজি ভাৰতৰ এই পূৰ্বপ্ৰান্তৰ পৰাই প্ৰাথমিক শিক্ষাৰ কাৰণে এই দুখীয়া ল'ৰা-ছোৱালী বিলাকক মাহে ১০০ টকাকৈ শিক্ষা ভাট্টা দি এটা আদৰ্শ ভাৰতবৰ্ষলৈ দাঙি ধৰো আৰু আমাৰ ইয়াৰ প্ৰথম সূৰ্য্য উদয় হওঁক।

উপাধ্যক্ষ মহোদয় তাৰ লগতে মই আৰু এটা কথা কওঁ যে আমাৰ সেই দুখীয়া শ্ৰেণীৰ ল'ৰা-ছোৱালী বিলাকক প্ৰাথমিক শিক্ষাৰ ভাট্টা দিয়াৰ লগতে আন এটা আইন তৈয়াৰ কৰিব লাগে সেইটো হল—এই নাবালক ল'ৰা-ছোৱালী বিলাকক যাতে কোনোৱে দিন হাজিৰা কামত নিয়োগ কৰিব নোৱাৰে, তাৰ কাৰণে শাস্তিমূলক ব্যৱস্থা কৰিব লাগে। কিয়নো আজি এই দুখীয়া ল'ৰা-ছোৱালী বিলাকৰ মাক-বাপেকৰ ওপৰতেই আমাৰ খেতি-বাতি, কৃষি ইত্যাদি এতিয়ালৈকে চলি আছে। কিন্তু এই অনুসূচীত জাতি আৰু জনজাতিৰ যিবিলাক ল'ৰা-ছোৱালী তেওঁলোকৰ কাৰণে বিভাডেচন কৰাৰ ক্ষেত্ৰত দেখিছো আজিও প্ৰকৃততে সেই লৰা-ছোৱালী বিলাক কোনো সুবিধা শিক্ষাৰ ক্ষেত্ৰত বা আন কোনো উন্নয়ণৰ ক্ষেত্ৰত কোনো সুবিধাই পোৱা নাই। তেওঁলোকৰ অৱস্থা দিনক দিনে শোচনীয়ই হৈ আহিছে। আজি চাওক আমি হৰিজনৰ কাৰণে চিঞৰ বাখৰ কৰিছো কিন্তু হৰিজনৰ লৰা-ছোৱালী বিলাকৰ যিবিলাক নাবালক হৈ আছে সেই সকলক আমি চুইপাৰ কামত লগাইছো। তেওঁলোকক আমি তেনেকুৱা কামত চাকৰি কৰিবলৈ দিছো। তেওঁলোকৰ কি পঢ়াশুনা কৰাৰ প্ৰয়োজন নাই নেকি ? উপাধ্যক্ষ মহোদয়, আমাৰ টকাৰ প্ৰয়োজন বুলি কৈছে। আৰু ইতিমধ্যে আমাৰ বহুত ধাৰ লাগিছে। ধাৰ লাগিছে লাগক, আৰু ধাৰ লওঁক আমি টকা দিয়াত ৰাজি আছো। আমাৰ ইয়াৰ পৰাই প্ৰথম এই প্ৰস্তাৱ লওক আৰু সেই লৰা-ছোৱালী বিলাকৰ উপাৰ্জনৰ ওপৰত চালু কৰক। তাৰ কাৰণে সকলো সদস্যৰে সহযোগীতা কামনা কৰিলো তাৰ পিচত চাওক আমাৰ যিবিলাক ঠেলাৱলা, পানীৱালা, ৰিক্সাৱালা আছে তেওঁলোকৰ লৰা-ছোৱালী বিলাকক কিবা এটা ভট্টা দি তেওঁলোকৰ বেকাৰ সমস্যা সমাধান কৰিব পাৰিলে দেখিব সমাজৰ চেহেৰা পৰিবৰ্তন হব আৰু এই ক্ষেত্ৰত তেওঁলোক উপকৃত হোৱাত যথেষ্ট সহায়ক হব।

মাননীয় উপাধ্যক্ষ মহোদয়, ১০ বছৰে যদি আমি সংবিধানত লিখামতে বাধ্যতামূলক ভাবে আমাত দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলৰ ল'ৰা-ছোৱালীক প্ৰাথমিক শিক্ষা দিব পাৰো তেতিয়া-হলে, আমাৰ দেশৰ চেহেৰাই বদলি যাব। কাৰিকৰী শিক্ষাকে আৰম্ভ কৰি বিভিন্ন বিষয়ৰ শিক্ষাগত অৰ্হতাৰ জৰিয়তে নিজৰ ৰোজগাৰ নিজেই সমাধা কৰি লব পাৰিব। সেইটোকে যদি আমি কৰিব নোৱাৰো তেতিয়াহলে, আজিৰ দৰে নিবনুৱা সমস্যা সদায়েই বাঢ়িয়েই থাকিব। এই খিনিতে এটা কথা মই সোধৰাই দিব খুজিছো যে, কংগ্ৰেছৰ ৩১ বছৰীয়া ৰাজত্বত যেনেকৈ ভগবানত ভাৰ বজায় ৰাখিবৰ কাৰণে কংগ্ৰেছ পুঁজিপতিয়ে মানুহ একশ্ৰেণী নিৰক্ষৰ কৰি ৰাখিছিল সেইদৰে আজিও পুঁজিপতি সকলৰ স্বাৰ্থৰ খাতিৰতেই এই লিাক সকলৰ বৃহত্তৰ অংশ এটাক আজিও পুঁজিপতি সকলৰ স্বাৰ্থৰ খাতিৰতেই নিৰক্ষৰ কৰি ৰাখিবৰ কাৰণে বৰ্ত্তমানৰ চৰকাৰেও চেষ্টা কৰিব পাৰে চিন্তা কৰিব পাৰে। সেই চিন্তাই যদি জনতা দলৰ চৰকাৰৰ মগজুত ঠাই পায় তেতিয়াহলে আৰু উপায় নাই। পুঁজিবাদী শাসন ব্যৱস্থা পুঁজিবাদী সমাজ ব্যৱস্থা চলাই ৰখাৰ ডাঙৰ অস্ত্ৰ হৈছে আমাৰ সাধাৰণ এক বৃহত্তৰ অংশ এটাক নিৰক্ষৰ কৰি ৰখাৰ ব্যৱস্থা।

উপাধ্যক্ষ মহোদয়, মই অলপ আগতে কৈছিলো যে, এডুকেশ্বন এলাউন্স দি যদি আমি প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব পাৰো তেতিয়াহলে, দহ বছৰৰ ভিতৰত আমাৰ দেশৰ চেহেৰাই বদলি যাব। প্ৰাথমিক শিক্ষাৰ বলত শিক্ষিতহৈ সমাজ বাঢ়ি উঠিব তেতিয়া আজিৰ এই শোষণৰ বাজেট, শোষণৰ সমাজ ব্যৱস্থা সেই সকল শিক্ষিত লোকে গ্ৰহণ নকৰিব। তাতো আঘাত হানিব। পুঁজিবাদী শাসক গোষ্ঠীয়ে যদি এই কথা মগজুত ঠাই দিয়ে তেতিয়াহলে, যি সকলৰ কাৰণে এই প্ৰস্তাৱ অনা হৈছে তেওঁলোকৰ কাৰণে যদি বৰ্তমানৰ চৰকাৰে চেষ্টা নকৰিব আৰু তাৰপিছতো যি চৰকাৰ আহিব তেওঁলোকেও যদি বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ কথা নেভাবিব তেতিয়াহলে, তেখেত সকলো শাসনৰ গাদীত তিষ্ঠি থাকিব নোৱাৰিব। যোৱাকালি মই এই সদনতে কোৱাৰ দৰে গোটেই দেশখন মুৰ্চাফিৰ খানালৈ ৰূপান্তৰিত হব। সেই কাৰণেই সদনত মই এই অনুৰোধ কৰিম যে, প্ৰয়োজন হলে আলোচনা কৰি এই শ্ৰেণীৰ মানুহৰ কাৰণে সকলো ল'ৰা-ছোৱালীৰ বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ কাৰণে এডুকেশ্বন-এলাউন্সৰ ব্যৱস্থা কৰিবৰ কাৰণে আপোনাৰ জৰিয়তে উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱ ৰিক্মেণ্ট কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণী মাৰি বহিলোঁ।

Shri ALTAF HOSSAIN MAZUMDAR : Mr. Speaker. Sir, "In the first part of the Resolution it is stated that effective implementation of the compulsory Primary education among masses." Sir, for effective implemention of the Primary education in the rural areas the first sine quo non is that there must be sufficient schools. Secondly these schools must be provided with requisite number of furniture, such as tables, blackboards and the teachers. These are necessary. Sir, in this House we have passed a Resolution urging upon the Government to establish a socioalist State of Assam and now it is the moral responsibility to see that we provide school buildings for Primary schools to the villagers and the requisite number of furniture. blackboard and the teacher. We have heard that the elementary education has been provincialised and there was much fun fare by the previous Government. What is this provincialisation ? It is said that it is the provincialisation of the teachers only. Now, Sir, the primary task of the Government will be to construct the school building where there is no school building and provide necessary teachers and the furniture. Therefore, Sir, I would first of all beseech upon the Government that it should devot its attention to see that the schools are provided with necessary staff and furniture. Secondly, Sir, in respect of employment of teachers during the last five years enough of confusion has been created. It is found that large number of basic trained teachers, normal trained passed teachers, have not been given employment. But even Third Division Matriculates have been given appointment in preference over 2nd Division Matriculates. These sort of appointments will have a far reaching consequences on our coming generation. So, I would suggest to the Government that in the matter of appoinment in schools the first reference is to be given to the trained teachers. And in case of existing non-traine teachers they should be given training immediately so that they con impart real education to our boys and girls because impression left in the carly age remains for long. Therfore. I would just appeal that these difficulties in the primary education should be removed and these should be done immediately.

Shri DULAL CHANDRA BARUA (Minister)—Sir, we have given notice of amendment to the Resolution. Hon. Member, Shri Bora will move he amendment from our side.

Shri KHAGENDRA NATH BARBARUAH—Mr. Deputy Spleakert I would like to draw the attention of the House to the fac, Shat this Resolution has not yet been supported. Therefore, I support the Resolution now.

*শ্ৰীজীৱন বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনৰ আগলৈ যিটো প্ৰস্তাৱ আহিছে সেইটো সচাঁকৈয়ে এটা অতি গুৰুত্বপূৰ্ণ প্ৰস্তাৱ। মই এই প্ৰস্তাৱৰ ওপৰত সংশোধন আনিবলৈ থিয় হৈছো। ইয়াৰে শব্দ বাদ দিলে প্ৰস্তাৱটো এনে ধৰণৰ হব: "All necessary facilities be provided to the poor parents of the students"
অৰ্থাৎ মোৰ সংশোধনীৰ পিচত প্ৰস্তাৱটো এনেকুৱা হব "This Assembly recommends to the Government of Assam that for effective implementation of the compulsory primary education amoung the poor masses of the State, all necessary facilities be provided to the poor parents of the students."
উপাধ্যক্ষ মহোদয়, আমাৰ সমাজৰ যিখিনি মানুহ দৰিদ্ৰ সেইখিনি মানুহৰ ওপৰত নানা ধৰণৰ শোষণ চলি আছে তাক আমি কোনেও নুই কৰিব নোৱাৰো।

*শ্ৰীবীৰেশ মিশ্ৰ :— উপাধ্যক্ষ মহোদয়, কোন সংশোধনী আনতে হলে এচেমলীর রুলচ এণ্ড প্রসিডিউর অনুযায়ী ২৪ ঘন্টা আগে আনতে হয়। কিন্তু তা আনা হয়নি। সুতরাং মাননীয় সদস্য এখন সেই সংশোধনী আনতে পারবেন না।

Mr. DEPUTY SPEAKER : I will see to it.

Shri M. SHAMSUL HUDA—I am moving the resolution; it appears that one hon.member has moved an amendment, but I have not received the amendment. We do not know when it was given and whether it was circulated among the hon.members.

Shri GOLAK CHANDRA RAJBONGSHI—We have also not got copy of the amendment.

Mr. DEPUTY SPEAKER—I have just now got it.

Shri M. SHAMSUL HUDA—It should be given atleast 24 hours ahead.

Mr. DEPUTY SPEAKER—It is not moved; it is only for the information.

Shri DULAL CHANDRA BARUA (Minister)—Of course, a notice is to be given; one day notice is to be given. But there is discretion of the the Chair to decide whether it should be allowed or not; if it is not allowed, it is a separate thing.

*Speech not Corrected.

Shri GOLAK RAJBONGSHI--There is some precedents ; the hon. Speaker or the Dy. Speaker can allow it but before it was moved, it was to be submitted before hand ; now we come to know that it has been submitted just now.

Shri DULAL CHANDRA BARUA (Minister)—We have submitted*

Mr. DEPUTY SPEAKER—This amendment has been received few minutes back ; but the copies of the amendment may be circulated later on, as I have received it today.

শ্ৰীএ, এন, আক্ৰাম হুচেইন ঃ— সংশোধনীৰ কপি আমাক দিব লাগে তাৰ পিচতহে আলোচনা কৰিব পৰা হব ।

শ্ৰীযোগেন গগৈ ঃ—ষ্টেণ্ডিং বদল থকাৰ ক্ষেত্ৰত আকৌ চেয়াৰৰ ডিচক্ৰিয়েশ্যনৰ কথা নাহে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— ডিচক্ৰিয়েশ্যনটোও বদলৰ কথাহে ।

Shri ALTAF HOSSAIN MAJUMDAR—Sir I would like to draw your attention to Rule 124 ; this Rules States - "If a copy of such amendment has not been sent to the Secretary one clear day before the day fixed for the discussion of the resolution, any member may object to the moving of the amendment, and such objection shall prevail unless the Speaker, in his discretion, allows the amendment to be moved". Under this Rule, the Speaker has enough discretion to allow it, and in a case like this, as far as I remember, this discretions are exercised.

Shri BENOY KUMAR BASUMATARY—Sir, your honour has observed that you have received the copy of the amendment just few minute earlier. It is also commented by your honour that this is not an amendment moved, but this is just an information.

Mr. DEPUTY SPEAKER—No, no.

Shri BENOY KUMAR BASUMATARI—So, Sir, if I am correct and if the record is there, it is an information that was given.

Shri DULAL CHANDRA BARUA (Minister)—No hon.member can question the authority or observation made by the Chair.

Shri BENOY KUMAR BASUMATARY—I am not questioning his authority, but actually the record I am referring. Am I not entitled to refer to the record ? Is there any rule in the Rules of Procedure and Conduct of Business of the Assembly that there can be no reference to the utterances or remarks of the hon.Speaker or Deputy Speaker ?

Shri DULAL CHANDRA BARUA (Minister)—You may ask for clarification.

*Speech not corrected.

Shri BENOY KUMAR BASUMATARY—I am referring to the remark ; I am seeking clarification. Can this House take this information as an amendment and discuss the Resolution in the light of that amendment ?

Shri GOLAK CHANDRA RAJBONGSHI—Though it was not submitted in time, the hon.Speaker or Deputy Speaker can allow it by exercising his discretion. The first point to be decided whether the amendment has been allowed ; if it is allowed, then the Rule 124 (2) requires that it is to be printed and circulated to the members and then only the mover can move the amendment.

Shri ALTAF HOSSAIN MAJUMDER—In sub-rule(2) of Rule-124 there is one provision, i.e., "if time permits".

Shri JIBON BORA—Sir I beg to move the amendment After my amendment, the resolution will read like this.

Mr. DEPUTY SPEAKER—The hon.member will only move the amendment.

Shri JIBON BORA—I beg to move the amendment to Resolution No.3 moved by the hon. member Shri M. SHAMSUL HUDA.

Mr. DEPUTY SPEAKER—Please read the amendment.

Shri JIBON Kr. BORA—After the words "State" in the fourth line in the Resolution No.3 substitute the words "each father or mother as the case may be, be paid a monthly educational allowance of Rs.100/—for each of his/her sons and daughters" by the words "all necessary facilities be provided to poor parents of the tudents".

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী ঃ—উপাধ্যক্ষ মহোদয়, এই যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে আৰু প্ৰস্তাৱৰ ফালৰ পৰা যিটো ব্যাখ্যা দাঙি ধৰা হৈছে সেই বিষয়ে কবলৈ হলে এইটো আজি সকলোৰে কাৰণে অনস্বীকাৰ্য্য যে অসমত আজি একত্ৰিশ বছৰৰ পিচতো নিৰক্ষৰৰ সংখ্যা শতকৰা পয়সত্তৰ ভাগ থাকি গল। এই নিৰক্ষৰতা দূৰ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা বিভিন্ন আঁচনি আৰু পৰিকল্পনা লোৱা হৈছিল আৰু তাৰ বাবে কোটি কোটি টকা খৰচ কৰা হৈছিল যদিও আজি প্ৰশ্ন উঠিছে যে এই একত্ৰিশ বছৰে নিৰক্ষৰতা কিয় দূৰ কৰিব পৰা নহ'ল আৰু সেই ভিত্তিতেই মাননীয় সদস্য গৰাকীয়ে বৰ্ত্তমান নতুন অৱস্থাত এই প্ৰস্তাৱ দাঙি ধৰিছে সেই সমস্যা সমূহ সমাধানৰ বাবে। বৰ্ত্তমান সদনত দাঙি ধৰা প্ৰস্তাৱটোৰ সম্পৰ্কত আমাৰ কবলৈ বহুত আছে। এই সমস্যা সমূহৰ কাৰণবোৰ যদি বাস্তৱ ভাৱে অধ্যয়ন কৰিব চাওঁ তেতিয়াহলে এই সমস্যা সমাধানৰ উপায় আৱিস্কাৰ কৰিব পাৰিম। আজি আমাৰ ল'ৰা-ছোৱালীয়ে মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে কিয় শিক্ষানুষ্ঠানলৈ যাব নোৱাৰে আৰু তাৰ সলনি কিয় আন কাম কৰিবলৈ যাবলগীয়া হৈছে সেই বাস্তৱ কথাটো লক্ষ্য কৰিব লাগিব। আজি পাঁচ ছয় বা দহ বাৰ বছৰীয়া ল'ৰা-ছোৱালীয়ে আঠ অনা পইচাৰে দিন হাজিৰা খাটিবলৈ ওলাই আহিবলগীয়া হৈছে। পেটৰ ভাত মুঠি উপাৰ্জন কৰিবৰ কাৰণে তেওঁলোক ওলাই আহিবলগীয়া হৈছে। মাকবাপেক বা আত্মীয় জনৰ চিকিৎসা, ভৰণ-পোষণ আদিৰ কাৰণে হাজিৰা কাম কৰিবলগীয়া

*Speech not corrected.

হৈছে। ঘৰৰ সমুখত স্কুল নোহোৱাৰ কাৰণে যে স্কুললৈ যাব পৰা নাই সেইটো নহয়। কিয়নো আমাৰ প্ৰাইমাৰী হাইস্কুল হয়টো ঘৰত কাষতে আছে কিন্তু মূল কথা হল আজি শিক্ষানুষ্ঠানৰ অভাৱত এই সকল লৰা ছোৱালীয়ে পঢ়িব নোযোৱাকৈ থকা নাই ইয়াৰ মূল কাৰণ হৈছে অৰ্থনৈতিক অৱস্থা। মাননীয় সদস্য গৰাকীয়ে প্ৰস্তাৱটো দাঙি ধৰাৰ সময়ত এই সমস্যাটোৰ প্ৰতি গুৰুত্বসহকাৰে দৃষ্টি দি ব্যাখ্যা কৰিছিল।

উপাধ্যক্ষ মহোদয়, এই ছাত্ৰ ছাত্ৰী সকলে যাতে চাহ দোকানত চাকৰী বিচাৰি পথাবলগীয়া নহয় বা কৰবাত হাজিৰা কৰিবলৈ পথাবলগীয়া নহয় আৰু যদি তেওঁলোকক শিক্ষানুষ্ঠান বিলাকলৈ যাব পৰা হয় তেনেহলে এই লৰা ছোৱালী বিলাক প্ৰত্যেককে প্ৰথম কথা হ'ল ভাত দিব লাগিব আৰু লৰা ছোৱালীয়ে যাতে কাম নকৰি হাজিৰা নখটাকৈ ভাতমুঠি পায় তাৰ ব্যৱস্হা কৰিব লাগিব। তেওঁলোকে যাতে শিক্ষানুষ্ঠানলৈ যাব পৰা কাপোৰ পিন্ধিবলৈ পায়, কাবজ কলমৰ অভাৱত যাতে স্কুললৈ নোযোৱাকৈ থাকিব বাধ্য নহয় আৰু এটকা বা এটকা চাৰি অনা দি কুহিপাতখন যোগাৰ কৰিব নোৱাৰা অৱস্হা যাতে নহয় এই সমস্যা কেইটা দূৰ কৰিব পাৰিলে মই ভাবো প্ৰাথমিক শিক্ষাৰ কিছু সমস্যা দূৰ কৰিবলৈ সমৰ্থ হব। এই ক্ষেত্ৰত মই পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে আজি সমগ্ৰ ৰাজ্যতে যিমান বিলাক শিশু আছে যি এই অৱস্হাৰ কাৰণে শিক্ষা লাভ কৰিব পৰা নাই তেওঁলোকৰ এটা হিচাব উলিয়াব লাগিব আৰু সেই লৰা-ছোৱালী বিলাকে যাতে ভোকেৰে শিক্ষানুষ্ঠানলৈ যাবলগীয়া নহয় তাৰ ব্যৱস্হা কৰিব লাগিব আৰু তেওঁলোকে স্কুললৈ যোৱাৰ কাৰণে কাপোৰ কিতাপৰ কাৰণে যাতে স্কুললৈ নোযোৱাকৈ নাথাকে তাৰ ব্যৱস্হা কৰিব লাগিব। তৃতীয়তে এই ল'ৰা-ছোৱালীৰ কাগজ কলম চৰকাৰীভাবে যোগান ধৰিব লাগিব। এই তিনিটা সমস্যা যদি সমাধান কৰে তেনেহলে মই কম বৰ্ত্তমন যিমানেই পৰিকল্পনা নকৰক কিয়, যিমানেই শিক্ষানুষ্ঠান নাবাঢ়ক কিয়, যিমানেই নিৰক্ষতা দূৰীকৰণ অভিযান নচলক কিয় চৰকাৰ সেই লক্ষ্যত উপনীত হোৱা সম্ভৱ নহব। গতিকে এই সুযোগতে এই প্ৰস্তাৱৰ সন্দৰ্ভত আবেদন জনাও যাতে এই নিৰক্ষৰতা দূৰীকৰণৰ বাস্তৱমুখী চেষ্টা চৰকাৰে কৰে। পশ্চিমবঙ্গৰ বামপন্হী চৰকাৰে চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ লগে লগে নিৰক্ষৰতাদূৰীকৰণ আঁচনি গ্ৰহণ কৰিছে আৰু সেই আঁচনিমতে সকলো লৰা ছোৱালীকে এবেলা খোৱাৰ ব্যৱস্হা শিক্ষানুষ্ঠানতে কৰি দিছে। প্ৰত্যেক লৰা ছোৱালীৰে কাগজ কলম চৰকাৰৰ তৰফৰ পৰা যোগান ধৰা হৈছে। শীত কালত এজোৰ আৰু গৰমৰ দিনত এজোৰ। ইয়াৰ ফল স্বৰূপে ভিক্ষাৰীৰ লৰা ছোৱালীয়েও স্কুললৈ যাবলৈ সমৰ্থ হৈছে। (ভইচ-আমি শুনিছো, দেখা নাই) এইটো এটা বাট মুকলি কৰি দিছে আৰু সেই কাৰণে তাত কিছুপৰিমানে হলেও নিৰক্ষতা দূৰীকৰণ কৰাত সমৰ্থ হৈছে। প্ৰকৃততে যদি এই চৰকাৰে গণতান্ত্ৰিক ব্যৱস্হা কাৰ্যকৰী কৰিব বিচাৰিছে তেনেহলে যিবিলাক বৃদ্ধ মানুহ তেওঁলোককো এই শিক্ষাৰ ব্যৱস্হা দিব লাগিব। কাৰণ গণতান্ত্ৰিক ব্যৱস্হা আগবঢ়াই নিবলৈ হলে সকলো মানুহ শিক্ষিত হব লাগিব। স্বাধীনতাৰ ৩১ বছৰ পাচতো আজিও দেশত ইমান সংখ্যক নিৰক্ষৰ থকাতো লাজৰ কথা। মই ভাবো জনতা চৰকাৰে অন্য কৰিব নোৱাৰিলেও প্ৰতিশ্ৰুতি হিচাবে এই আঁচনিত জোৰ দিব লাগিব আৰু তেতিয়াইহে গণতন্ত্ৰৰ ভেটি সুদৃঢ় হব। আপুনি নিশ্চয় জানে উপাধ্যক্ষ মহোদয় পশ্চিম বঙ্গৰ বামপন্হি চৰকাৰে বৃদ্ধ সকলৰ বাবে (অকল শিশুৰেই নহয়) আৰু যি সকল যুবক নিৰক্ষৰ আছিল তেওঁলোকক প্ৰত্যেককে শিক্ষিত কৰাৰ ব্যৱস্হা কৰিছে।

আমাৰ জনতা চৰকাৰেও ঘোষণা কৰিছে যে গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব। গতিকে এই ক্ষেত্ৰত বিশেষভাবে গুৰুত্ব দিব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীহৰেন্দ্ৰ নাথ দেৱ গোস্বামী:—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহৰুদা ডাঙৰীয়াই এই সদনত যি প্ৰস্তাৱ উৎথাপন কৰিছে মই সেই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো।

হয়তো এই প্ৰস্তাৱৰ বিৰোধীতা কৰা কাৰণে প্ৰতিক্ৰিয়াশীল আখ্যা দিব পাৰে। তেখেতে যি ধৰণে জনতা চৰকাৰক পুঁজিবাদী দালাল বুলি আখ্যা দিছে জনতা পাৰ্টিৰ সদস্য হিচাবে ময়ো নিশ্চয় তেখেতৰমতে দালালেই হম।

শ্ৰীখগেন বৰবৰুৱা :— মাননীয় সদস্য গৰাকীয়ে নিজেই দালাল বুলি স্বীকাৰ কৰিছে ইয়াত দালালী কৰাৰ কিবা নিয়ম আছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ দেৱ গোস্বামী :— মাননীয় সদস্য গৰাকীয়ে আন্তৰিকতাৰে কৈছে যদি মই কৈছো যে মোকো কৈছে।

তাৰ পিচত প্ৰতি পৰিয়ালক ১০০ টকাকৈ দিয়াৰ কথা কৈছে এই কথাটো চিন্তা কৰিব লগীয়া কথা।

Mr. DEPUTY SPEAKER—Order. Order. The hon'ble member will resume his discussion on the next Private Members' day. The House stands adjourned till 10 AM on Tuesday the 6th June 1978.

---

## ADJOURNMENT

The House then rose at 11-30 AM and stood adjourned till 10 A.M on Tuesday, the 6th June, 1978.

Datet Dispur
The 2nd June, 1978

P. D. BARUA
Secretary
Assam Legislative Assembly.

AGP. (LA) No. 622/80—1350—26-8-1981.